সত্যমেৱ জয়তে

অসম চৰকাৰ

# বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ
# ২০১১-১২


**শ্ৰী তৰুণ গগৈ**

মুখ্যমন্ত্ৰী, অসম


১১ জুলাই, ২০১১

*মাননীয় অধ্যক্ষ মহোদয়,*

১। মই ২০১১-১২ বিত্তীয় বৰ্ষৰ বিতং বাজেট প্ৰাক্কলন উত্থাপন কৰিবলৈ থিয় হৈছো।

২। ইয়াৰ আগতে যোৱা পহিলা ফেব্ৰুৱাৰী ২০১১ তাৰিখে চলিত বিত্তীয় বৰ্ষৰে পহিলা এপ্ৰিলৰ পৰা ৩১ জুলাই, ২০১১ তাৰিখলৈকে চাৰিমাহ সময়ৰ বাবে লেখানুদান বিচাৰি অন্তৰ্বৰ্ত্তীকালীন বাজেট উত্থাপন কৰিছিলো। ইতিমধ্যে অসম বিধান সভাৰ নিৰ্বাচন শেষ হৈছে। এতিয়া মই এই পবিত্ৰ সদনত ২০১১-১২ চনৰ পূৰ্ণ বিত্তীয় বৰ্ষটোৰ বাবে বিতং বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণ আৰু মঞ্জুৰী দাবী উত্থাপন কৰিম।

৩। বাজেট প্ৰস্তাৱ সমূহৰ কথালৈ অহাৰ আগতে মোক আৰু মোৰ দলক একেৰাহে তৃতীয়বাৰলৈ ৰাজ্যখনক সেৱা কৰাৰ বাবে তেওঁলোকৰ ঐতিহাসিক জনাদেশৰ জৰিয়তে সুযোগ দিয়াৰ কাৰণে অসমৰ ৰাইজলৈ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ নেতৃত্বৰ ওপৰত অসমৰ ৰাইজে পুণৰ যি আস্থা জ্ঞাপন কৰিলে সিয়ে মোৰ হৃদয়খন ৰাজ্যখনৰ উন্নয়ন আৰু সৰ্বাঙ্গীন শান্তি, সমৃদ্ধিৰ দিশত আৰু অধিক দৃঢ়তাৰে কাম কৰাৰ বাবে বিনম্ৰতা, কৃতজ্ঞতাৰে ভৰাই তুলিলে।

৪। এই সুযোগতে মই ত্ৰয়োদশ অসম বিধান সভাৰ সকলো সদস্যকে মোৰ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। মোৰ নতুন চৰকাৰলৈ আপোনালোকৰ পূৰ্ণ সহযোগিতাৰ বাবে সকলোকে অনুৰোধ জনাইছো। মোৰ ফালৰ পৰাও এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী আৰু প্ৰগতিশীল অসম গঢ়াৰ সপোন বাস্তৱায়িত কৰিবলৈ আমাৰ সামগ্ৰিক ৰাজনৈতিক ব্যৱস্থাটোৰ সকলো স্তৰতে সমিলমিল আৰু সহযোগিতাৰে কাম কাজ কৰাৰ বাবে আপোনালোক

সকলোলৈকে বিশেষকৈ মাননীয় বিৰোধী দলৰ সদস্য সকল
আমাৰ সদিচ্ছাৰ আশ্বাস প্ৰদান কৰিছো।

৫। মাননীয় সদস্য সকল নিশ্চয়ে একমত হ'ব যে বি
১০ বছৰৰ সময়ছোৱাত আমাৰ ৰাজ্যখনে সকলো স্তৰতে অভূ
প্ৰগতি লাভ কৰিছে। ৰাজ্যখনত আইন শৃংখলাৰ উল্লেখযোগ্য উ
ঘটিছে। প্ৰায় সকলোবোৰ উগ্ৰপন্থীগোটে আলোচনাৰ জৰি
তেওঁলোকৰ আপত্তি সমূহ সমাধান কৰিবলৈ আগবাঢ়ি আহি
শান্তি আৰু বুজাবুজিৰ প্ৰক্ৰিয়াবোৰে গতি লাভ কৰিছে। ৰাজ্য
স্থায়ী আৰু সৰ্বাংগীন উন্নয়নত উদগণি দিবলৈ আমি আৱশ্য
বিত্তীয় বিন্যাস ঘটাবলৈ সমৰ্থ হৈছো। বিগত কেইটিমান ব
অসমত কৃষিখণ্ড উন্নয়ন বেছ ভাল আছিল। ব্যক্তিগত খ
বিনিয়োগো বাঢ়ি আছে। থাইলেণ্ড, লাওচ আদিকে ধৰি আ
চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ বিদেশ-বাণিজ্য আৰু ব্যৱসায়ৰ সৈতে জ
প্ৰতিনিধিৰ দলবোৰে আমাৰ ৰাজ্যখনলৈ আহিবলৈ আ
কৰিছে।ভাৰতৰ পূবলৈ চোৱা নীতিৰ অংশ হিচাপে চুবু
দেশসমূহৰ লগত বাণিজ্য, বিনিয়োগ আৰু পৰ্য্যটনৰ জৰি
বাণিজ্যিক যোগসূত্ৰ স্থাপন কৰিবলৈ মই পদক্ষেপ গ্ৰহণ কৰি
যোৱা কেইটিমান বছৰত উন্নত পশ্চিমীয়াদেশবোৰৰ ৰাষ্ট্ৰদূত আ
কূটনীতিক সকলৰ অসম ভ্ৰমণো সঘনাই বাঢ়িছে। তেওঁলো
প্ৰায়বোৰেই অসমত বিনিয়োগ কৰা আৰু অসমত ব্যৱসায় ক
ইচ্ছা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিচাপে মই মোৰ তৃতীয়
কাৰ্য্যকালত বিনিয়োজন আৰু ৰাজ্যখনৰ ক্ষীপ্ৰ আৰ্থিক উন্নয়নৰ ব
সামগ্ৰীক পৰিস্থিতিটো অধিকতৰ উন্নত কৰাত সৰ্ব্বাধিক গুৰুত্ব দিম

**অৰ্থনৈতিক অৱস্থা ঃ**

৬.১। বিগত কেইটামান বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপা
(জি এচ ডি পি) এ এক ক্ষীপ্ৰ উৰ্দ্ধগামী ধাৰা দেখুৱাইছে। ১৯৯
২০০০ চনৰ স্থিৰ মূল্য ভিত্তিত ২০০০-২০০১ চনতৰ অসমৰ
এচ ডি, পি বৃদ্ধিৰ হাৰ আছিল মাথোন ২.৫৩ শতাংশ। আগতী
প্ৰাককলন অনুসৰি ২০১০-১১ বৰ্ষৰ বাবে সুস্থিৰ মূল্যমান (২০০
০৫) ত ২০০৯-১০ বৰ্ষৰ তুলনাত ৭.৩৮% বৃদ্ধিৰে জি এচ ডি



হ'ল ৭৫,০৮২ কোটি। ২০০৯-১০ বৰ্ষত ২০০৮-০৯ বৰ্ষৰ তুলনাত ৮.০৮% বৃদ্ধিৰ হাৰেৰে ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন সুস্থিৰ মূল্যমান (২০০৪-০৫) ত আছিল ৬৯,৯২৪ কোটি (ক্ষীপ্ৰ প্ৰাকক্লন)। বৰ্ত্তমান মূল্যত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ২০০৯-১০ বৰ্ষৰ তুলনাত ১২.৭০% বৃদ্ধিৰ আশাৰে ২০১০-১১ বৰ্ষত (আগতীয়া প্ৰাকক্লন) ১০৪২১৮.০০ কোটি হ'ব বুলি আশা কৰা হৈছে। ২০১০-১১ বৰ্ষত (আগতীয়া প্ৰাকক্লন) ২০০৯-১০ বৰ্ষৰ (ক্ষীপ্ৰ প্ৰাকক্লন) ৩০৭৮৬ টকাৰ বিপৰীতে ৰাজ্যখনৰ জনমূৰি মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন অসমৰ সাম্প্ৰতিক মূল্য মানত হ'ল ৩৪২৬৭ টকা। এন এচ ডি পিৰ আধাৰত ২০১০-১১ বৰ্ষত অসমৰ জনমূৰি আয় ২০০৯-১০ বৰ্ষৰ ২৭১৯৭ টকাৰ বিপৰীতে ৩০৪১৩ টকা হ'ব বুলি ধাৰণা কৰা হৈছে।

৬.২। মূল্যমানৰ ক্ষেত্ৰত ২০১০-১১ বৰ্ষত পাইকাৰী মূল্য সূচাংক (১৯৯৩-৯৪ = ১০০ ভিত্তিত) আছিল ২৭২, ই ২০০৯-১০ বৰ্ষতকৈ ১০% বৃদ্ধি হৈছে। সেই একে সময়তে ভাৰতৰ বাবে পাইকাৰী মূল্য সূচাংক আগৰ তুলনাত ১৯% বৃদ্ধি দেখুৱাই ৩২৭ আছিল। ঠিক তেনেদৰে অসমৰ শ্ৰমিক শ্ৰেণীৰ জনসংখ্যাৰ বাবে উপভোক্তা মূল্য সূচাংক (২০০১= ১০০ ভিত্তিত) ২০১০-১১ বৰ্ষত আগৰ বৰ্ষৰ তুলনাত ১০.৮ শতাংশ বৃদ্ধিৰে ১৬৪ আছিল। সমগ্ৰ দেশ খনতে উপভোক্তা মূল্য সূচাংক আগৰ বছৰৰ তুলনাত ১৩% বৃদ্ধি দেখুৱাই ১৭৬ আছিল।

**৭.১। ৰাজ্যিক বিত্ত ঃ-**

মাননীয় সদস্য সকলৰ এইটো জ্ঞাত যে মোৰ বিগত দুটা কাৰ্য্যকালত বহু বছৰৰ বিত্তীয় সংকটৰ পিছত মই ৰাজ্যখনৰ বিত্তীয় অৱস্থা সুস্থিৰ কৰিবলৈ সক্ষম হৈছো। বৰ্ত্তমান ৰাজ্যখনৰ বিত্তীয় অৱস্থা সম্পূৰ্ণ স্বাভাৱিক। ২০০৫-০৬ ৰ পৰা ২০০৮-০৯ - এই৪ বছৰৰ সময়ছোৱাত ৰাজ্যখনে ৰাজহ আৰু বিত্ত উভয় শিতানতে বাহি কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলত দ্বাদশ বিত্ত আয়োগৰ অনুদানৰ অধীনৰ সময়ছোৱাত ৪২২ কোটি টকাৰ ঋণ

বেহাইৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছিল। অসম এফ আৰ এম আইন, ২০০৫ খন প্ৰনয়ন কৰাৰ ফলত ইয়াৰ উপৰিও ৬ কোটি টকাৰ ঋণ সকাহ লাভ কৰিবলৈ সক্ষম হৈছে। ত্ৰয়োদশ বি আয়োগৰ অনুমোদনাৱলীৰ ভিত্তিত আমি এতিয়া আইন খ প্ৰয়োজনীয় সংশোধনী প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ পদক্ষেপ লৈছো। ই ৰাজ্য চৰকাৰখনক ৫০২ কোটি টকাৰ ঋণ বেহাই আৰু ১৬০. কোটি টকাৰ সূত পৰিশোধ সকাহৰ বাবে যোগ্যতা প্ৰদান কৰি ত্ৰয়োদশ বিত্তীয় আয়োগে সুচল আৰু দক্ষ বিত্তীয় পৰিচাল স্বীকৃতি প্ৰদান কৰি ৰাজ্যখনক ৩০০ কোটি টকাৰ এক পুৰস্কাৰ স্ব অনুদান আগবঢ়াইছে।

৭.২। শেহতীয়াকৈ অৱশ্যে ৰাজ্যৰ বিত্তীয় ক্ষেত্ৰখনে কেতবে হেচাৰ সন্মুখীন হৈছে। ২০০৯-১০ আৰু ২০১০-২০১১ ৰ বি দুটা বৰ্ষত ৰাজহ আৰু বিত্ত সমন্ধীয় বাহি অৱস্থাটো ঘাটিলৈ সল হৈছে। দৰমহা আয়োগৰ অনুমোদনাৱলীৰ ৰূপায়ন আৰু আ উন্নয়নমূলক ব্যয়ৰ বৃদ্ধিয়েই ইয়াৰ প্ৰধান কাৰণ। অৱশ্যে ইয়াৰ বা শঙ্কিত হোৱাৰ কোনো কাৰণ নাই। আমাৰ ৰাজকোষ জমাখৰ অৱস্থাটো যথেষ্ট সন্তোষজনক। কৰ আৰু অনা-কৰ ৰাজহ সংগ্ৰ বৃদ্ধি দুয়োটাই সন্তোষজনক। উদাহৰণ স্বৰূপে ২০১০-১১ বৰ্ষত স্ব ভেট (VAT) সংগ্ৰহৰ বৃদ্ধিৰ হাৰ আছিল পূৰ্ব্বৰ বৰ্ষতকৈ ২৭ বেছি। সেইদৰে, ২০১০-১১ বৰ্ষত সম্পূৰ্ণ 'ভেট' সংগ্ৰহৰ হা আছিল পূৰ্ব্বৰ বৰ্ষতকৈ ২২ শতাংশ অধিক। সি যি কি নহওঁ ক্ৰমানন্বয়ে বৃদ্ধি পাই অহা ৰাজহ আৰু বিত্ত সমন্ধীয় ঘাটি অৱস্থাটোৰ কথাটো মই মন কৰিছো। কৰ আৰু অনা-কৰ ৰাজ সংগ্ৰহৰ পৰিমান বৃদ্ধিৰ অৰ্থে সকলো প্ৰচেষ্টা হাতত লোৱা হ' আৰু লগতে অনা-উন্নয়নমূলক খৰছৰ ব্যয় সংকোচনৰ বাবে প্ৰচেষ্টা হাতত লোৱা হ'ব। অৱশ্যে, কোনোপধ্যে আমাৰ উন্নয়ন গতি মন্থৰ হ'বলৈ দিয়া নহ'ব।

৭.৩। দীৰ্ঘম্যাদী দৃষ্টিভঙ্গীৰ পৰাও ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি যথেষ্ট সুস্থিৰ আৰু নিৰাপদ জনক। ৩১-০৩-২০১১ তাৰিখলৈকে আমাৰ অনাদায় ঋণৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপা



আছিল ২৮ শতাংশ, যিটো অসমৰ বাবে ত্ৰয়োদশ বিত্ত আয়োগে নিৰ্দ্ধাৰণ কৰি দিয়া ২৮.২ শতাংশৰ সীমাৰ ভিতৰতে আছে। দ্বাদশ বিত্ত আয়োগৰ দ্বাৰা নিৰ্দ্ধাৰিত ১৫ শতাংশৰ উচ্চ সীমাৰ বিপৰীতে আমাৰ ৰাজহ সংগ্ৰহৰ তুলনাত সূত পৰিশোধৰ অনুপাত মাত্ৰ ৯ শতাংশৰ এক অতি সন্তোষজনক অৱস্থালৈ হ্ৰাস পাইছে। আমি সময়মতে একত্ৰিত বিনিয়োগ পুঁজিলৈ প্ৰয়োজনীয় পুঁজিৰ বিনিয়োগ কৰি তাক টনকীয়াল কৰি আহিছো। নিশ্চিত পৰিত্ৰাণ পুঁজিও গঠন কৰা হৈছে আৰু ইয়াৰ বাবে বিত্ত যোগান ধৰা হৈছে। ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পাছত চাকৰিত যোগদান কৰা ৰাজ্য চৰকাৰৰ চাকৰিয়ালৰ বাবে প্ৰৱৰ্ত্তণ কৰা নতুন অৱদানমুলক পেঞ্চন আচঁনিখন ৰাজ্যচৰকাৰৰ সমান অংশৰ সৈতে যথাযথ ভাবে ৰূপায়ন কৰি থকা হৈছে। ইয়াৰ ফলত ভবিষ্যতে ৰাজ্য চৰকাৰে পেঞ্চন প্ৰদানৰ বোজাৰ পৰা মুক্ত হব পাৰিব।

৭.৪। ৰাজ্য চৰকাৰৰ বৰ্ত্তমান চলি থকা বিত্ত সংস্কাৰ সম্পৰ্কীয় কাৰ্যসূচীৰ ক্ষীপ্ৰ ৰূপায়ণৰ কাম অব্যাহত থাকিব। আধুনিক বিত্তীয় পৰিচালনাৰ সমস্যা সমূহ মোকাবিলা কৰাৰ অৰ্থে আৰু ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীৰ দক্ষতা উন্নত কৰাৰ অৰ্থে দেশৰ বাহিৰত আৰু ভিতৰত সুনাম থকা প্ৰতিস্থান সমূহত এলানি প্ৰশিক্ষণ কাৰ্যসুচী হাতত লোৱা হৈছে। ইতিমধ্যে এ ডি বিৰ সাহায্যপ্ৰাপ্ত অসম গৱৰ্নেন্স আৰু ৰাজহুৱা সম্পদ পৰিচালনা আঁচনিৰ অধীনত ৭০০০ ত কৈও অধিক বিষয়া-কৰ্মচাৰীক আধুনিক বিত্তীয় পৰিচালনাৰ কৌশল সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। চলিত বিত্তীয় বৰ্ষত বিত্তীয় পৰিচালনাৰ ওপৰত জোৰ দি সু-শাসন সম্পৰ্কীয় অগ্ৰীম প্ৰশিক্ষণৰ বাবে নতুন দিল্লীৰ "নেচনেল ইনষ্টিটিউট অৱ পাব্লিক ফাইনেন্স এণ্ড পালিচি" আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটলাণ্টাত থকা "জৰ্জিয়া ষ্টেট ইউনিভাৰচিটি" লৈ ৬০ গৰাকী মজলীয়া আৰু জ্যেষ্ঠ পৰ্য্যায়ৰ বিষয়াক পঠিয়াবলৈ মই ব্যৱস্থা লৈছো।

৭.৫। চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগঃ-

অৱসৰ প্ৰাপ্ত আই এ এছ বিষয়া অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব শ্ৰী পি কে বৰাক অধ্যক্ষ হিচাপে লৈ ২০১০ চনৰ

২৩ এপ্রিলত চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগ গঠন কৰা হৈছিল
২০১১-১২ বৰ্ষক সামৰি লৈ যোৱা ২৫-০৩-২০১১ তাৰি
আয়োগে প্ৰাবন্তিক প্ৰতিবেদন ৰাজ্য চৰকাৰক দাখিল কৰে। প্ৰৱে
কৰ, আমোদ কৰ আৰু বিদ্যুত শুল্কৰ বাহিৰে আন সকলোবোৰ ক
আৰু শুল্কৰ মুঠ আহৰণৰ ১৪ শতাংশ পঞ্চায়তী ৰাজ অনুষ্ঠান আ
নগৰীয়া পৌৰ নিকায় সমূহৰ মাজত বিতৰণৰ উদ্দেশ্যে ৰাখিবৰ
আয়োগে পৰামৰ্শ আগবঢ়াইছে। আয়োগৰ এনে অনুমোদনৰ ভিত্তি
২০১১-১২ চনৰ বাজেটত এই উদ্দেশ্যে ৬৪০.৮৭ কোটি ট
অন্তৰ্ভূক্ত কৰা হৈছে।

৭.৬। বহিঃসাহায্য প্ৰাপ্ত প্ৰকল্পঃ-

বহিঃসাহায্য প্ৰাপ্ত প্ৰকল্প সমূহ ৰূপায়নৰ উদ্দে
২০১১-১২ বিত্তীয় বৰ্ষটোৰ বাবে ১১৯৩.৬০ কোটি টকা ধাৰ্য ক
হৈছে। এনে প্ৰকল্প সমূহ হ'ল (১) অসম কৃষি প্ৰতিযোগিতামূ
প্ৰকল্প (১৭৫.৭৩ কোটি), (২) অসম ৰাজ্যিক পথ প্ৰকল্প (১৫
কোটি), (৩) অসম সংহত বান আৰু নদী গৰাখহনীয়া পৰিচাল
প্ৰকল্প (১২১.৬৮ কোটি), (৪) অসম গৱৰ্নেন্স আৰু ৰাজহুৱা সম্প
পৰিচালনা আঁচনি (১৩৯.৫৬ কোটি টকা), (৫) অসম বিদ্যুৎখ
প্ৰোৎসাহন বিনিয়োজন প্ৰকল্প (২৫০.৩২ কোটি টকা), (৬) গুৱাহা
পানী যোগান প্ৰকল্প (৩১৯ কোটি টকা), (৭) অসম আন্তঃগাথ
প্ৰকল্প (৩২.৩১ কোটি টকা)।

বিগত কিছুকালৈকে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প সমূহ
ক্ষেত্ৰত অসমলৈ অহা পুঁজিৰ পৰিমাণ আছিল নিচেই কম। সি
কি নহওক, যোৱা কেই বছৰ বিভিন্ন বহিঃ সাহায্য প্ৰাপ্ত প্ৰকল্প
জৰিয়তে ৰাজ্য খনলৈ পুঁজি অহাটো লক্ষণীয়ভাৱে বৃদ্ধি পাইছে
২০০১ চনৰ পৰা ২০১১ চনৰ জানুৱাৰী মাহলৈকে ৰাজ্য চৰকাৰে
বিভিন্ন বহিঃ সহায্য প্ৰাপ্ত প্ৰকল্পৰ জৰিয়তে ২৮৩১ কোটি টকা লাভ
কৰিবলৈ সক্ষম হৈছে। ইয়াৰ তুলনাত এই সময়ছোৱাৰ আগৰ পাঁ
বছৰত ৰাজ্যখনে মাত্ৰ ১৮২ কোটি টকাহে লাভ কৰিছিল। অনাগত
সময়ছোৱাত ৰূপায়িত হৈ থকা বহিঃ সাহায্যপ্ৰপ্ত প্ৰকল্প সমূহৰ
জৰিয়তে ৰাজ্যখনলৈ প্ৰায় ৫০০০ কোটি টকা অতিৰিক্তভাৱে অহা



সম্ভাৱনা আছে। এই বহিঃ সাহায্যপ্ৰপ্ত প্ৰকল্প সমূহে ৰাজ্য খনৰ উন্নয়নৰ গতি খৰতকীয়া কৰাত বিশেষকৈ কৃষি, বন, পথ যোগাযোগ, নগৰীয়া পানী যোগান, শক্তি, জলসম্পদ ব্যৱস্থাপনা আৰু বিত্তীয় সংস্থাৰৰ ক্ষেত্ৰত উল্লেখনীয় প্ৰভাৱ পেলাইছে।

মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছোযে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প সমূহে ৰাজ্যখনত ঋণৰ বোজা দুৰ্বহ কৰি নোতোলে। ইয়াৰ কাৰণ হল বহিঃ সাহায্যপ্ৰপ্ত প্ৰকল্প সমূহৰ পুঁজি ৯০ শতাংশ অনুদান হিচাপে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা হয়। সহজে পৰিশোধ কৰিব পৰা সীমাৰ ভিতৰত ১০ শতাংশ পুঁজিহে ঋণ হিচাপে পোৱা হয়। মাননীয় সদস্য সকলে জানি সুখী হ'ব যে সমগ্ৰীক ঋণৰ পৰিমাণ আৰু জনমুৰি ঋণৰ বোজাৰ ক্ষেত্ৰত অসমৰ অৱস্থান প্ৰায়বোৰ ৰাজ্যৰ তুলনাত যথেষ্ট সৰল।

## বিত্তীয় প্ৰতিষ্ঠান সমূহৰ বিনিয়োজনঃ-

৭.৭। ২০১১ চনৰ মাৰ্চ মাহৰ সময়ত জমা বৃদ্ধিৰ হাৰ ২০.৭৭ শতাংশ হোৱা পৰিপ্ৰেক্ষিতত ঋণ জমাৰ অনুপাত ৩৯.৭১ শতাংশলৈ নামি আহে যদিও ঋণৰ পৰিমাণো ১৪.০২ শতাংশলৈ বৃদ্ধি হৈছে। অতীৱ গুৰুত্বপূৰ্ণ কথা যে ৰাজ্যৰ কৃষিখণ্ডৰ ক্ষেত্ৰত অসমত প্ৰতিষ্ঠানিক বিনিয়োজন সৰ্বভাৰতীয় মান ১৮ শতাংশ অতিক্ৰম কৰি ১৯.১১ শতাংশলৈ বৃদ্ধি হৈছে।

গ্ৰাম্য অঞ্চললৈ প্ৰতিষ্ঠানিক ঋণৰ সুষম প্ৰবাহৰ গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তাৰ ওপৰত মই অবিৰতভাৱে জোৰ দি আহিছো, বিশেষকৈ কৃষি ক্ষেত্ৰত আৰু এই ক্ষেত্ৰত এলানি পদক্ষেপো লোৱা হৈছে। আমাৰ আঞ্চলিক গাঁৱলীয়া বেংক সমূহ শক্তিশালী কৰা হৈছে যাতে গ্ৰামাঞ্চলত ঋণৰ ব্যৱধান উল্লেখযোগ্য ভাৱে হ্ৰাস কৰাত এইসমূহে মধ্যস্থতা কৰিব পাৰে। চাৰিটাকৈ দুৰ্বল আঞ্চলিক গাঁৱলীয়া বেংক লগলগাই ২০০৬ চনত অসম গ্ৰামীণ বিকাশ বেংক গঠন কৰা হৈছিল আৰু আজি ই মুঠ ৬৪৪৯ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। তদুপৰি কৰ বাদ দিয়াৰ পাছত ই ৩৫.৩৭ কোটি টকা লাভ দেখুৱাইছে। ইয়াৰ জমা বৃদ্ধি হাৰ ২৬.৩৯ শতাংশতকৈ ঋণ বৃদ্ধিৰ হাৰ ২৮.০৯ শতাংশ বেছি হৈছে

আৰু ই আত্মসহায়ক গোট সমূহ আৰু কৃষকসকললৈ প্ৰচুৰ পৰিমাণে ঋণৰ যোগান ধৰিছে। মই ইতিমধ্যে ১.১২ কোটি টকাৰ অতিৰিক্ত অংশৰ মূলধন দুয়োখন পাৰ্বত্য জিলাত কাম কাজ চলাই থকা লাংপি দেহাংগী গাৱঁলীয়া বেংকক শক্তিশালী কৰিবলৈ মুকলি কৰি দিছে আৰু ভৱিষ্যতেও নাবাৰ্ড আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অনুমোদন সাপেক্ষে পুঁজি মুকলি কৰি দিম।

যোৱা মাহত সংশ্লিষ্ট বেংকসমূহৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক সকলকৈলে মোৰ অধ্যক্ষতাত এখনি ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ কমিটি (এচ এল বি চি) ৰ সভা অনুষ্ঠিত হৈ যায়। ইয়াত খাদ্যশস্যৰ ঋণৰ বাবে যোৱা বছৰ প্ৰকৃততে ব্যয় কৰা ৩৭৩.৬৩ কোটি টকাৰ বিপৰীতে বাৰ্ষিক ঋণৰ পৰিকল্পনাৰ লক্ষ্য ১১২০ কোটি টকা ধাৰ্য্য কৰা হয়। গ্ৰাম্য ঋণৰ প্ৰবাহ বৃদ্ধি কৰিবলৈ বিশেষকৈ কে চি চি এচ (খাদ্যশস্যৰ ঋণ) ৰ ক্ষেত্ৰত এই বছৰ বিশেষ অগ্ৰাধিকাৰ দিয়া হৈছে আৰু ৰাজ্যিক পৰ্য্যায়ৰ বেংকাৰ কমিটিক ইয়াৰ অগ্ৰগতি নিয়মিতভাৱে নিৰীক্ষণ কৰিবলৈ কোৱা হৈছে। পিছৰ বছৰৰ মাৰ্চ মাহৰ ভিতৰত ২০০০ জনতকৈ অধিক জনসংখ্যা থকা প্ৰতিখন গাঁৱলৈ বেংকৰ সুবিধা প্ৰদান কৰিবলৈ বেংক সমূহেও এলানি কাৰ্যসূচী হাতত লৈছে।

ইতিমধ্যে মই কৃষকসকললৈ প্ৰদান কৰা খাদ্য শস্যৰ ঋণৰ ৩ শতাংশ সূতৰ স্থায়ী সাহায্য নিধি আঁচনিৰ অধীনত নাবাৰ্ডে ২০১০-১১ বৰ্ষলৈকে ৬ কোটি টকা ব্যয় কৰিছে। মই নাবাৰ্ডৰ জৰিয়তে এই আঁচনি, এই বৰ্ষতো প্ৰতিজন খেতিয়কৰ ক্ষেত্ৰত কৃষি ঋণৰ সীমা ৩৫,০০০ টকা লৈ বৃদ্ধি এই আঁচনি অব্যাহত ৰাখিম।

ভাৰত চৰকাৰৰ ৩ শতাংশ আৰু অসম চৰকাৰৰ পৰাও ৩ শতাংশ মুঠ ৬ শতাংশ সূত ৰেহাই লৈ আমাৰ খেতিয়ক সকলে মাত্ৰ ৪ শতাংশ সূত হে নিজে পৰিশোধ কৰিব লাগিব।

৮। **বাৰ্ষিক পৰিকল্পনা ২০১১-১২ঃ-**

পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ সৈতে নতুন দিল্লীত ১৪-০৬-২০১১ তাৰিখে মোৰ সৈতে হোৱা সভাত অসমৰ বাৰ্ষিক



পৰিকল্পনাৰ কলেৱৰ ২০১১-১২ বিত্তীয় বৰ্ষৰ বাবে ৯০০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। বিগত বৰ্ষত আৱণ্টন পোৱা ৭৬৪৫ কোটি টকাৰ তুলনাত এইবাৰ ১৮ শতাংশ বৃদ্ধি হৈছে। আৱয়াবিক আৰু সামাজিক উভয়খণ্ডৰ আন্তঃগাঠনিৰ উন্নয়নক বাৰ্ষিক পৰিকল্পনাত সৰ্বাধিক গুৰুত্ব দিয়া হ'ব। তদুপৰি কৃষি, জলসিঞ্চন, শক্তি, যোগাযোগ ব্যৱস্থা, স্বাস্থ্য, শিক্ষা, উদ্যোগ, দক্ষতা বৃদ্ধি আৰু নিয়োগৰ সম্ভাৱনা সৃষ্টি কৰা আদি অন্যতম গুৰুত্বপূৰ্ণ খণ্ড। পৰিকল্পনাৰ আঁচনি আৰু প্ৰকল্প সমূহ ৰূপায়ন অধিক খৰতকীয়া কৰাৰ উদ্দেশে সমপৰ্যায়ৰ বিভাগসমূহৰ অনুমোদন দিয়াৰ ক্ষমতা অধিক বৃদ্ধি কৰা হ'ব। পৰিকল্পনাৰ অধীনত দিয়া পুঁজিৰ সম্পূৰ্ণ আৰু নিৰ্দ্ধাৰিত সময়ত ৰূপায়ন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব। পৰিকল্পনাৰ পুঁজিৰ ব্যৱহাৰৰ বিষয়ে ডিচেম্বৰ মাহত পৰ্যালোচনা কৰা হ'ব। আঁচনি ৰূপায়নত পিছপৰি ৰোৱা বিভাগ সমূহৰ পৰা আবণ্টিত পুঁজি কৰ্ত্তন কৰা হ'ব আৰু এনে পুঁজি ব্যৱহাৰৰ ক্ষেত্ৰত ভাল ফলাফল দেখুওৱা বিভাগলৈ হস্তান্তৰ কৰা হ'ব।

৯-১। **নিয়োগ আৰু দক্ষতা বৃদ্ধি ঃ-**

মই ৰাজ্যখনৰ নিবনুৱা সমস্যাৰ বিষয়ে বাৰুকৈয়ে সজাগ। ২০ লাখ পঞ্জীয়ণভুক্ত নিবনুৱাৰ ভিতৰত ৭০ শতাংশ (১৪ লাখ) নিবনুৱাই হৈছে শিক্ষিত নিবনুৱা। সেয়েহে স্বনিয়োজনৰ সুযোগ সৃষ্টি কৰা আৰু দক্ষতা বৃদ্ধিৰ বিন্যাস কৰাৰ ওপৰত ঘাইকৈ গুৰুত্ব দিব লাগিব। ইতিমধ্যে চলি থকা নিয়োগ বৃদ্ধিৰ অভিযানে ৯১৩০ জন নিবনুৱা যুৱকক নিয়োগৰ সুবিধা দিছে আৰু ৩ বছৰত ১ লাখ ৬৭ হাজাৰ নিবনুৱাৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ আশা কৰা হৈছে। এই বছৰ মই এই উদ্দেশ্যত ৪৫ কোটি টকা ৰাখি থৈছো। শিক্ষিত নিবনুৱা সকলৰ স্ব-নিয়োজনত সহায়ক হোৱাকৈ এক অসম নিয়োগ সৃষ্টিকাৰী নিগম গঠন কৰিবলৈও মই সিদ্ধান্ত লৈছো আৰু ইয়াৰ বাবে ৩ কোটি টকা ২০১১-১২ বৰ্ষৰ বাজেটত ধাৰ্য্য কৰা হৈছে।

৯-২। আমাব নিবনুৱা যুৱসকলব দক্ষতা বৃদ্ধিব ও সৰ্ব্বোচ্চ গুৰুত্ব দিয়া হৈছে আৰু বাঢ়ি অহা দক্ষতাব ব্য কমাবলৈ উপযুক্ত গুৰুত্ব দিয়া হৈছে। বাজহুৱা আৰু ব্যক্তিগত থকা ব্যক্তিগত প্ৰশিক্ষণ প্ৰতিষ্ঠান বোবক সহায় কবিবলৈ এক ডেভলপমেন্ট ইনিচিয়েটিভ চ'ছাইটি স্থাপন কবা হৈছে। সম্প্ৰতি নিয়োগব পবামর্শ আৰু বৃত্তিমূলক দিহাব সুবিধাব পুনব উত্থান সবল কবা হ'ব। নতুন ঔদ্যোগীক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা দক্ষতা কেন্দ্ৰ সকলো সামবি নোলোৱা খণ্ডত স্থাপন কবা হব যাতে অ যুৱক সকলে বিক্ষিভন্ন বৃত্তিত নিয়োগব উপযুক্ত দক্ষতা আহৰণ পাৰে। মই অসম দক্ষতা বৃদ্ধিব প্ৰাধিকবণ গঠন কবাব সিদ্ধান্ত লৈ আৰু এই উদ্দেশ্যবে এই বছব ৩ কোটি টকা বাখিছো।

বাজ্যখনত দক্ষতাব উন্নীতকবণ, প্ৰশিক্ষণ, নবীচিক নিয়োগ সৃষ্টি আৰু বিনিয়োজনব কাবণে কৰ্পোবেট খণ্ডটোক জ কবা আৱশ্যকতা আছে। মই বিভিন্ন নেতৃস্থানীয় ব্যৱসায়িক উদ্যোগিক সংগঠনব সৈতে যোগাযোগ কবিছো আৰু এই তেওঁবিলাকব সঁহাবি অতি উৎসাহজনক। মই যোৱা ৭ জু তাবিখে প্ৰধান মন্ত্ৰীব দক্ষতা উন্নয়ন উপদেষ্টা শ্ৰী এছ বামাদুবাই অন্যান্য সংশ্লিষ্ট ব্যাক্তিব সৈতে আলোচনাত মিলিত হৈছিলো। তেওঁলোকব সৈতে দক্ষতা বৃদ্ধি, জল ব্যৱস্থাপনা খণ্ডত প্ৰশিক্ষণ দক্ষতা বৃদ্ধি, শক্তি খণ্ডব শ্ৰীবৃদ্ধি আৰু সেউজী কৰ্ম সৃষ্টিব ও বিতংভাবে আলোচনা কবিছিলো।

৯-৩। চৰকাৰী কৰ্মচাৰীৰ নাটনি পুৰাবলৈ মই ইতিম খালি থকা আৰু নতুনকৈ সৃষ্টি কৰা মুঠ ৮৮,২৯০ টা পদত নতুন মকৰলৰ অনুমোদন দিছো। সকলো সংশ্লিষ্ট বিভাগকে হ'বলগা নিয়োগৰ প্ৰক্ৰিয়া তৰান্বিত কৰিবলৈ মই আহ্বান জনাইছো। যি পদ সমূহ পূৰণৰ ক্ষেত্ৰত লক্ষণীয় অগ্ৰগতি লাভ কৰিব পৰা হৈ সেয়েহে মই এচ আই ইউ (SIU) ৰ অনুমোদন প্ৰক্ৰিয়া শি কৰাৰ সিদ্ধান্ত লৈছো। সংশ্লিষ্ট প্ৰশাসনীয় বিভাগৰ মুৰব্বীক আগ খালি হৈ থকা প্ৰয়োজনীয় আৰু অনুমোদিত প্ৰথম বৰ্গ, দ্বিতীয়



আৰু তৃতীয় বৰ্গৰ পদ সমূহ পূৰণ কৰাৰ দায়িত্ব দিয়া হ'ব আৰু এই পদসমূহ প্ৰচলিত আইন আৰু সেৱা বিধিৰ অধীনত পূৰণ কৰিব লাগিব।

মূল্যবৃদ্ধি, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমাঃ-

ৰাজ্যখনৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাটোক শক্তিশালী কৰাৰ বাবে অত্যাধিক গুৰুত্ব প্ৰদান কৰা হৈছে। দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা আৰু দৰিদ্ৰ সীমাৰেখাৰ ওপৰত বসবাস কৰা পৰিয়ালৈলৈ বাজহুৱা বিতৰণ ব্যৱস্থা (টি পি ডি এচ) সামগ্ৰী সমূহৰ নিয়মীয়া যোগানৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰিবলৈ অবিৰত ভাবে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। অসম ৰাজ্যিক অসামৰিক যোগান নিগম স্থাপনৰ বাবে পদক্ষেপ লোৱা হৈছে। বিগত বৰ্ষত ১০০০০ নিৰ্বাচিত সূলভ মূল্যৰ দোকানৰ জৰিয়তে 'আমাৰ দোকান' আৰু 'জাগক গ্ৰাহক জাগক' শ্লোগান আৰু নামাংকনৰ আঁচনি প্ৰাৰম্ভন কৰা হৈছিল। আঁচনিখনে জনসাধাৰণৰ পৰা অভূতপূৰ্ব সহাৰি লাভ কৰিছে আৰু সমগ্ৰ ৰাজ্যখনতে ৰেহাই মূল্যত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী আৰু সৰ্বাধিক খুছুৰা মূল্যৰ সামগ্ৰী সমূহ বিতৰণত সহায়ক হৈছে।যেহুৰ গুনগত মানদণ্ড উন্নত কৰিবলৈ ইয়াৰ বৰ্হিগমন ৰোধ আৰু সুৰক্ষিতকৰণৰ অৰ্থে কুপন ব্যৱস্থাৰ প্ৰাৰম্ভন সহ দাৰিদ্ৰ সীমাৰেখাৰ ওপৰত বসবাস কৰা আৰু দাৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ বাবে বায়মেট্ৰিক ভিত্তিত নতুন পৰিয়াল পৰিচয় পত্ৰৰ প্ৰদানৰ ব্যৱস্থা, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী সমূহ যান বাহনেৰে পৰিবহনৰ ক্ষেত্ৰত জি পি এচ আৰু জি আই এচ ট্ৰেকিং পদ্ধতি, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী সমূহৰ পৰিবহন সুচল কৰাৰ বাবে নদী পথ প্ৰবৰ্ত্তনৰ লেখীয়া কিছু সংখ্যক উদ্ভাৱনমূলক আঁচনি প্ৰবৰ্ত্তন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। বহু মহলীয়া আৱাসগৃহ সমূহত জালিকা বিতৰণ, এল পি জি ৰন্ধন গেছ বেংক/ গ্ৰিডৰ এক নতুন আঁচনিও শীঘ্ৰে আৰম্ভ কৰা হ'ব। ইয়াৰ ওপৰিও নিৰ্দ্ধাৰিত ৩৬৮ কোটি টকা ব্যয়ৰে নগাওঁ, শিলচৰ, ধুবুৰী, বিশ্বনাথ চাৰিআলি,

চাংসাৰী আৰু অন্যান্য ঠাই সমূহত অতিৰিক্ত ভাবে ৪ লাখ টন শস্য মজুত কৰিব পৰা ভড়াল নিৰ্মাণ কৰি থকা হৈছে।

২০১০ চনৰ অক্টোবৰত আৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ সুৰক্ষা যোজনা খন অধিক পৰিশোধন আৰু উন্নীত কৰবে ২০১১-১২ বৰ্ষতো চলাই থকা হ'ব যাতে প্ৰকৃত হিতাধিকাৰী এই আঁচনিখনৰ পৰা বাদ পৰি নাযায়। ১৮,৯০,০০০ টা পৰিয়া ইতিমধ্যে প্ৰতি মাহে ২০ কেজিকৈ চাউল বি পি এল হাৰত কৰি আছে। এই আঁচনিৰ অধীনত সামৰি লোৱাৰ বাবে অতিৰি ১,১০,০০০ টা পৰিয়ালক নিৰ্বাচিত কৰি থকা হৈছে। মই আঁচনিৰ অধীনত ২০১১-১২ বৰ্ষত বিতৰণৰ বাবে ২,১৬,০ মেট্ৰিকটন অতিৰিক্ত বি পি এল চাউল আৰু ৩,৩৫,০০০ মেট্ৰি এ পি এল চাউল যোগান ধৰিছো। এই আঁচনিখন তথা অন উদ্ভাৱনীমূলক আঁচনি সমূহ ৰূপায়ণৰ বাবে ২০১১-১২ বাজেটত ১০০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

বিধবা আত্ম-সহায়ক গোট আৰু দাৰিদ্ৰ সীমাৰে তলত বসবাস কৰা পৰিয়ালৰ কল্যাণৰ বাবে মুখ্যমন্ত্ৰীৰ সম সবলীকৰণ যোজনা, অন্তোদয়া অন্ন যোজনা আঁচনি, বন্ধনজো আঁচনি আৰু গ্ৰাম্য শস্য বেংক আঁচনিৰ লেখীয়া অন্যান্য চলি আঁচনি সমূহ চলাই থকা হ'ব। উপভোক্তা সকলৰ অধিকাৰ স সুৰক্ষিত কৰিবলৈ ৰাজ্যিক পৰ্য্যায়ৰ উপভোক্তা নিবাময় ফৰাম আ ২৩ খন জিলা পৰ্য্যায়ৰ উপভোক্তা ফ'ৰামৰ কাম কাজ শক্তিশা কৰা হ'ব।

১১। আভ্যন্তৰীণ নিৰাপত্তা ঃ

ৰাজ্যখনত আইন শৃঙ্খলাৰ বোধগম্য উন্নতি ঘটিছে। প্ৰ আটাইবোৰ উগ্ৰপন্থী গোটে শান্তি প্ৰক্ৰিয়াত চামিল হোৱাৰ আগ্ৰ প্ৰকাশ কৰিছে। ই পি ডি এচ, কে এল এন এল এফ, ডি এইচ (দিলীপ গোট), ডি এইচ ডি (জুৱেল গোট), এন ডি এফ (ধীৰেন বড়ো গোট), এ চি এম এ আৰু বি চি এফ আদিৰ লেখী বিভিন্ন উগ্ৰপন্থী গোটে তেওঁলোকৰ হিংসাত্মক কাম-কাজ বন্ধ ৰাখিছে



যৌথ বাহিনীৰ অধীনত চলা উগ্ৰপন্থী বিৰোধী অভিযানবোৰত নিৰাপত্তা বাহিনীবোৰে উল্লেখযোগ্য সফলতা লাভ কৰিছে। হিংসাত্মক কাৰ্য্যকলাপৰ ফলত মৃত্যুবৰণ কৰা অসামৰিকলোকৰ সংখ্যা ২০১০ চনত ৫৬ জনলৈ হ্ৰাস পাইছে যিটো বিগত ১৫ বছৰত সৰ্ব্বনিম্ন।

অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত আলফাৰ গোটটো আলোচনাৰ মেজলৈ আহিছে আৰু ইতিমধ্যে আলফা আৰু চৰকাৰৰ মাজত কেইলানিও আলোচনা হৈছে। ইয়াৰ বাহিৰেও ৰঞ্জন দৈমাৰীৰ নেতৃত্বৰ এন ডি এফ বি গোটটোৱেও যোৱা ১ জানুৱাৰী ২০১১ তাৰিখৰ পৰা ছয়মাহৰ বাবে হিংসাত্মক কাৰ্যকলাপ বন্ধ ৰাখিছে আৰু ইতিমধ্যে মধ্যস্থতাকাৰীৰ সৈতে প্ৰাৰম্ভিক আলোচনাত মিলিত হৈছে। পৰেশ বৰুৱাৰ নেতৃত্বত আলোচনা বিৰোধী আলফা গোটটোকো শান্তি প্ৰক্ৰিয়াত চামিল হোৱাৰ বাবে আগবাঢ়ি অহাৰ আহ্বান জনোৱা হৈছে।

আৰক্ষী বাহিনীৰ আধুনিকীকৰণৰ অধীনত অন্যান্য আন্তঃগাঁথনিগত কামৰ উপৰিও ১৯১ খন আৰক্ষী থানা, ৯৯ টা আৰক্ষী চকী, ১১৪৭ টা এল/এচ কোৱাৰ্টাৰ আৰু ৭০৩ টা ইউ/এচ কোৱাৰ্টাৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰ বাহিৰেও ২০১১-১২ চনৰ সময়ছোৱাত ১২ খন আৰক্ষী থানা আৰু ১০ টা আৰক্ষী চকী স্থাপনৰ প্ৰস্তাৱো লোৱা হৈছে। সৰ্ব্বাধুনিক নিৰাপত্তা সৰঞ্জাম সংগ্ৰহ কৰা হৈছে। অসম আৰক্ষী বাহিনীক শক্তিশালী কৰাৰ বাবে এনে ব্যৱস্থাবোৰ এই বছৰতো চলি থাকিব। গুৱাহাটী মহানগৰীৰ বাবে গুৱাহাটী নগৰ আৰক্ষী নিয়ন্ত্ৰন আৰু আই পি ভিত্তিক নগৰ নিৰীক্ষণ পদ্ধতিৰ (চি চি টি ভি) প্ৰেৰণ ব্যৱস্থাটোক (জি আই এচ/জি পি এচ ভিত্তিক ডায়েল (১০০ যোজনা) কম্পিউটাৰৰ সহায়ত চালু কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ২১ নং, ২২ নং, ২৩ নং আৰু ২৪ নং অসম আৰক্ষী (আই আৰ) বেটেলিয়নৰ মুখ্য কাৰ্যালয়ৰ বৰ্তমানে চলি থকা নিৰ্মাণ কাৰ্য ২০১১-১২ বৰ্ষত সম্পূৰ্ণ হৈ উঠিব। এই বৰ্ষতে ২৬ নং অসম আৰক্ষীৰ (আই আৰ) বেটেলিয়নটো গঠন কৰাৰ কাম হাতত লোৱা হৈছে। ২০১১-১২ বৰ্ষত ত্ৰয়োদশ বিত্ত আয়োগৰ সাহায্যত বিদ্ৰোহ দমন অৰু জংঘলত কৰা যুদ্ধৰ কৌশল শিকোৱা বিদ্যালয়ৰ নিৰ্মাণ, ডেৰগাৱঁৰ আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰত এখন

কেন্দ্ৰীয় বিদ্যালয়, ১৫ টা নতুন অগ্নি-নিৰ্বাপক কেন্দ্ৰ, কেবাটি
মাণ্ডলিক গৱেষণাগাৰৰ উপৰিও এটা আঞ্চলিক ফৰেন্
গৱেষণাগাৰ আৰু আৱশ্যকীয় তদন্তত সহায়ক হোৱাকৈ বিশেষ
গঠনৰ কাম হাতত লোৱা হ'ব। গৃহৰক্ষী বাহিনীৰ লোক
অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ লোকক প্ৰদান কৰা প্ৰশিক্ষণ
তেওঁলোকৰ জীৱন নিৰ্বাহৰ মানদণ্ড উন্নত কৰাৰ অৰ্থে ফল
ব্যৱস্থা গ্ৰহণ কৰা হ'ব। দূৰ্য্যোগ ব্যৱস্থাপনাৰ প্ৰশিক্ষণৰ বা
অসামৰিক প্ৰতিৰক্ষাৰ অধীনত থকা কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানক
প্ৰধান প্ৰতিষ্ঠান ৰূপে গঢ়ি তোলা হ'ব। ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰ
উপত্যকাৰ প্ৰতিটোতে একোটাকৈ কোম্পানীৰে সৈতে এটা ৰাজি
দূৰ্য্যোগ সঁহাৰি বাহিনীৰ কাম আৰম্ভ কৰিবলৈ লোৱা হৈছে।

কাৰাগাৰ সমূহৰ উন্নয়ন সাধন/মেৰামতিৰ বাবে চ
থকা আঁচনি ৰূপায়নৰ কাম অব্যাহত থাকিব। কাৰাগাৰ সমূহত
ডি অ' কন্ফাৰেনচিঙ' আৰু 'চি চি টিভি'ৰ কেমেৰাৰ সা-সুবি
ব্যৱস্থা কৰিবলৈ লোৱা হৈছে। ২০১১-১২ বৰ্ষত ইতিমধ্যে মুক
হোৱা কাৰাবন্দীসকলৰ বাবে আগবঢ়োৱা পুনৰ সংস্থাপন মঞ্জুৰী আ
কাৰাবন্দীসকলৰ পৰিয়ালক প্ৰদান কৰা বিত্তীয় সাহায্য অব্যাহ
থাকিব। বিদেশী চিনাক্তকৰণ ন্যায়াধীকৰণ সমূহক শক্তিশালী কৰ
অৰ্থে আৰু এইবোৰক প্ৰয়োজনীয় আন্তঃগাঠনিগত সা-সুবিধা প্ৰদা
কৰাৰ অৰ্থে প্ৰচেষ্টা হাতত লোৱা হৈছে।

১২। **ন্যায়িক আৰু বিধায়িনী ঃ**

চলিত বৰ্ষত এক ৰাজ্যিক মোকৰ্দমা নীতি হাতত লো
হ'ব। বিকল্প বিবাদ নিস্পত্তিকৰণ ক্ৰিয়া বিধি আৰু গ্ৰাম্য ন্যায়াল
গঠন কৰা হ'ব। আদালত গৃহ আৰু বাসগৃহ নিৰ্মাণৰ উপৰিও নতু
আদালত আৰু পৰিয়াল আদালত গঠনৰ ওপৰত গুৰুত্ব দিয়া হ'ব
ডিমা হাচাও জিলা আৰু কাৰ্বি আংলঙ জিলাত জিলা আদাল
স্থাপন কৰিবলৈ লোৱা হৈছে। ৰাজ্যিক ন্যায়িক একাডেমিখন স্থাপ
কৰাৰ অৰ্থে ত্ৰয়োদশ বিত্ত অয়োগে ১৫ কোটি টকা আৱন্টন দিছিল,
যি খিনি ধন ২০১০-১৫ বৰ্ষত খৰছ কৰা হ'ব। চলিত বৰ্ষত ৰাষ্ট্ৰী
আইন বিদ্যালয়ৰ শৈক্ষিক কাম-কাজ আৰম্ভ হ'ব। ৰাজ্যিক আই



আয়োগ আৰু অসম ৰাজ্যিক আইনসেৱা হোৱা কৰ্তৃপক্ষৰ কাম-কাজ শক্তিশালী কৰা হ'ব।

স্বাভাৱিক বাজেটৰ উপৰিও ন্যায়িক প্ৰশাসনৰ বাবে এই বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত ৬৩.২০ কোটি টকা প্ৰদান কৰা হৈছে।

১৩। **সীমান্ত অঞ্চল ঃ**

মই আন্তঃৰাষ্ট্ৰীয় আৰু ৰাজ্যৰ সৈতে সংলগ্ন আন্তঃৰাজ্যিক সীমান্ত অঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছোঁ। ভৌগলিক অৱস্থান তথা দুৰ্গমতা, যাতায়তৰ অসুবিধা, বিজুলী-স্বাস্থ্য আৰু শিক্ষা ব্যৱস্থাৰ অনগ্ৰসৰতা আদিৰ কাৰণে এই সীমা-মুৰীয়া অঞ্চলবোৰ পিচপৰি ৰৈছে। ইয়াৰ ফলস্বৰূপে সেই অঞ্চলসমূহত নিবনুৱা সমস্যাৰ প্ৰকোপ বৃদ্ধি পাইছে। আনকি বিভিন্ন উগ্ৰপন্থী গোট সমূহেও এই দুৰ্গম সীমা মুৰীয়া অঞ্চল সমূহত বাহৰ পাতি তেওঁলোকৰ কুটাঘাটমূলক কাম কাজ চলাই আছে। এইসমূহ অঞ্চলত বসবাস কৰা লোকসকলৰ বাবে বিভিন্ন ধৰণৰ আঁচনি হাতত লোৱা হৈছে এইবোৰ হ'ল উন্নত পথ সংযোগ, স্বাস্থ্য সেৱা, বৈদ্যুতিকীকৰণ, শিক্ষা, বিশুদ্ধ খোৱা পানী যোগান, জলসিঞ্চন ব্যৱস্থা, সমুহীয়া নিৱাস, বজাৰ, পৰিবেশ সমৃদ্ধ উদ্যান, সৌৰ চাকি ইত্যাদি।

এই কথাটো মন কৰিবলগীয়া যে ভাৰত চৰকাৰে সীমান্ত অঞ্চল উন্নয়ন আঁচনিৰ (BADP) অধীনত আৱন্টন কৰা পুঁজিৰ পৰিমাণ ২০০৯-১০ বৰ্ষৰ ২৪.২৪ কোটি টকাৰ পৰা ২০১০-১১ বৰ্ষত ৪০ কোটি টকালৈ বৃদ্ধি কৰে। ত্ৰয়োদশ বিত্তীয় আয়োগে অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলসমূহৰ উন্নয়ৰ বাবে ২৩০ কোটি টকাও অনুমোদন দিছে। ২০১১-১২ বৰ্ষত ৰূপায়ণ কৰি থকা বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ বাবে ত্ৰয়োদশ বিত্তীয় আয়োগৰ পৰা পোৱা অনুদানৰ ৫৭.৫০ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

১৪। অনুসূচীত জাতি, অনুসূচীত জনজাতি,
পিছপৰা শ্ৰেণী আৰু অন্যান্য সম্প্ৰদায়ৰ কল্যাণঃ-

আমাৰ চৰকাৰে ৰাজ্যৰ অনুসূচিত জাতি, অনু জনজাতি, পিছপৰা শ্ৰেণী আৰু অন্যান্য সম্প্ৰদায়ৰ সামগ্ৰীক উ বৃদ্ধিৰ বাবে বিভিন্ন কাম-কাজ হাতত লৈছে। নিয়োগ বৃদ্ধি, শি স্বাস্থ্য সজাগতা, দক্ষতা বৃদ্ধি, আন্তঃগাঠনি উন্নয়ন আৰু পিছ সম্প্ৰদায়ৰ আৰ্থসামাজিক সবলীকৰণৰ বাবে বিভিন্ন ধৰণৰ পদ গ্ৰহণ কৰা হৈছে। এই সমূহ সম্প্ৰদায়ৰ ল'ৰা আৰু ছোৱালীৰ বাবে হোষ্টেলৰ সুবিধা আৰু জলপানি প্ৰদান কৰা হৈছে।

এই সমূহলোকৰ আৰ্থসামাজিক উন্নয়নৰ অৰ্থে কোটি টকাৰ এক বিশেষ পেকেজ ৰূপায়ণ কৰাৰ প্ৰস্তাৱ হৈছে। বিভিন্ন ধৰণৰ উন্নয়নমূলক কাম-কাজ চলাই থকাৰ অসম অনুসূচিত জাতি উন্নয়ন পৰিষদ এখন গঠন কৰা অনুসূচিত জনজাতি আৰু বনাঞ্চলৰ অন্যান্য পৰম্পৰাগত বাসি (ৰিকগ্‌নিছন অৱ ফৰেষ্ট ৰাইট) আইন ২০০৬ ৰূপায়ণ কৰা অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আদৰ্শ গাঁও স্থাপন কৰি লোৱা হৈছে। অন্যান্য পিছপৰা সম্প্ৰদায়ৰ বাবেও এটা সঞ্চালকালয় স্থাপন কৰাৰ প্ৰয়াস কৰা হৈছে।

মৰাণ, মটক, চুতীয়া, আহোম, কোচ-ৰাজবংশী চাহ সম্প্ৰদায়ক অনুসূচিত জনজাতিৰ মৰ্য্যদা বিচাৰি কৰা দাবী পূ বাবে আমি অহৰহ প্ৰচেষ্টা চলাই আছো। এইসমূহ এলেকাৰ উন্ন বাবে স্বায়ত্ত শাসিত পৰিষদ সমূহলৈ অধিক পুঁজিৰ যোগান হ'ব। ৰাভা হাছং, মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্ত শা পৰিষদ সমূহৰ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব।

আমি বি টি চি এলেকাত উন্নয়নৰ বাবে দায়বদ্ধ সেই উদ্দেশ্য আগত ৰাখি আমি সেই এলেকাৰ বাবে ২০১১- বাৰ্ষিক পৰিকল্পনাত ২৯৮.০৬ কোটি টকা ধাৰ্য কৰিছো। বি টি অঞ্চলৰ প্ৰশাসনিক মানণ্ড উন্নীতকৰণৰ বাবে ২০১১-১২ বাজেটৰ পৰিকল্পনা বহিৰ্ভূত শিতানত ১০ কোটি টকা ধাৰ্য্য হৈছে। ৰাভা হাছং, মিচিং, দেউৰী, তিৱা, সোণোৱাল কছাৰী



ঠেঙালা কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ বাবে ১৫৩ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

বড়োলেণ্ড বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, আভিযান্ত্ৰিক মহাবিদ্যালয় কোকৰাঝাৰত স্থাপন কৰিবলৈ লোৱা তাবকাগৃহ আৰু বি টি চি এলেকাত থকা অন্যান্য প্ৰতিষ্ঠানসমূহৰ নিৰ্মাণৰ কাম খৰতকীয়া কৰা হ'ব। চাৰিওখন বি টি চি জিলাত থকা জিলা উপায়ুক্তৰ কাৰ্যালয়, মহকুমাধিপতিৰ কাৰ্যালয় আৰু অন্যান্য জিলা কাৰ্যালয় সমূহৰ নিৰ্মাণৰ কামও খৰতকীয়া কৰা হ'ব।

অসমৰ জনগাঁথনি বাৰেবৰণীয়া বহু সৰু বৰ জনগোষ্ঠিয়ে আমাৰ ৰাজ্যত বাস কৰে। এইটো বাঞ্ছনীয় যে আমাৰ সংমিশ্ৰিত ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাত সকলোবোৰ জনগোষ্ঠিয়েই প্ৰাপ্য স্থান লাভ কৰিব লাগিব। সেয়েহে অসমত এখন বিধান পৰিষদ গঠনৰ বাবে মই পদক্ষেপ হাতত লৈছো। তদুপৰি বিভিন্ন সম্প্ৰদায় সমূহলৈ ক্ষমতা আৰু দায়িত্ব বিকেন্দ্ৰীকৰণ কৰাটোও সমানেই প্ৰয়োজনীয় যাতে তেওঁলোকে নিজা নিজা জনগোষ্ঠীৰ উন্নয়নমূলক আৱশ্যকতাৰ প্ৰতি নজৰ দি যাৱতীয় ব্যৱস্থা লব পাৰে।

ৰাজ্যখনত থকা বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ উচ্চাকাঙ্খাসমূহ পূৰণ কৰিবলৈ প্ৰত্যেক জনগোষ্ঠীৰ বাবে এখনকৈ মুঠতে ১৮ খন উন্নয়ন পৰিষদ গঠন কৰা হৈছে। যথা মটক, মৰাণ, চুতীয়া, শৰণীয়া কছাৰী, তাই-আহোম, আদিবাসী, বিষ্ণুপ্ৰিয়া মণিপুৰী, গোৰ্খা, মায়মল, কোচ ৰাজবংশী, মৰিয়া, আমৰি-কাৰ্বি, নাথ-যোগী, মণিপুৰী, মেছ কছাৰী, বৰাক উপত্যকা পাৰ্বত্য জনজাতি, সাধাৰণ জাতি আৰু তাই ফাকে, টাই টুৰুং, টাই খামিয়াং, টাই আইটন, টাই খামচি, চিংফৌ, টাংছা আৰু চেমা জনগোষ্ঠীৰ বাবে। এইসমূহ পৰিষষদৰ বাবে আমি ২৪ কোটি টকা ধাৰ্য কৰিছো। এই উন্নয়ন পৰিষদসমূহৰ কাম-কাজসমূহ চোৱা-চিতা কৰিবলৈ এক পৃথক বিভাগ গঠন কৰা হ'ব।

২০১০-১১ বৰ্ষত অনুসূচিত জনজাতিৰ উপ-পৰিকল্পনাৰ বাবে ১৬৬ কোটি টকা আৰু জনজাতি উপ-পৰিকল্পনাৰ বাবে ৬৩ কোটি টকা দিবলৈ প্ৰস্তাৱ কৰা হৈছে।

১৫। **পাৰ্বত্য অঞ্চল ঃ**

কার্বি আংলং আৰু ডিমা হাচাও জিলাৰ সৰ্বাংগীনউ সাধনৰ অৰ্থে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। নিয়োগ ক্ষেত্ৰ স শিক্ষা, পৰিবহন আৰু যোগাযোগৰ সা-সুবিধা, সৌৰশক্তিৰ ব্যৱ উন্নত শক্তি আৰু পানী যোগান তথা স্বাস্থ্য প্ৰযত্ন সা-সুবিধাৰ ও জোৰ দিয়া হ'ব। ২০১১-১২ বৰ্ষত ক্ষুদ্ৰ আৰু উপান্ত কৃ উপকৃত কৰিবৰৈলে কৃষি প্ৰযুক্তি আৰু সেৱাৰ পৰিসৰ বৃদ্ধিৰ ও অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। ডিফুত অসম পাৰ্বত্য চিকি মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান স্থাপনৰ কাম আগবাঢ়ি অসম পাৰ্বত্য অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু অসম পা বিশ্ববিদ্যালয় স্থাপনৰ বাবেও প্ৰস্তাৱ লোৱা হৈছে। ২০১১-১২ বাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত অসম পাৰ্বত্য এলেকাৰ অ নিয়মীয়া পৰিকল্পনা আঁচনি, সংযোজিত পৰিকল্পনা আৰু টি এফ অনুদানৰ বাবে ৪১৭.৪২ কোটি টকা ধাৰ্য কৰা হৈছে। বিগত খৰছ নোহোৱাকৈ থকা ৫৯.৪৯ কোটি টকাৰ লগত ই সংযো হ'ব। ইয়াৰ উপৰিও ডব্লিউ ডি পি এচ চি এৰ বাবে ৮.৫০ টকা আৰু ভাৰতীয় সংবিধানৰ ২৭৫(১) অনুচ্ছেদৰ অধীনত ৭ কোটি টকা আৱন্টন দিয়া হৈছে। দুয়োখন স্বায়ত্ত শাসিত প জিলাৰ প্ৰশাসনিক মানদণ্ড উন্নীতকৰণৰ বাবে পৰিকল্পনা বহি শিতানত ২০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

১৬। **সংখ্যালঘু কল্যাণ আৰু চৰ অঞ্চলঃ-**

মোৰ চৰকাৰ সংখ্যালঘু সম্প্ৰদায় বিশেষকৈ অঞ্চলৰ সংখ্যালঘু সকলৰ শৈক্ষিক আৰু আৰ্থসামাজিক আসো আতৰোৱাৰ বাবে এক বহুমুখী ব্যৱস্থা হাতত লোৱাৰ প্ৰতিশ্ৰুতিবদ্ধ। ২০১১-১২ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত এলেকা উন্নয়নৰ বাবে ৪০ কোটি টকা আগবঢ়োৱা হৈছে।

১৩ খন সংখ্যালঘু অধ্যুষিত জিলাৰ বাবে কে পৃষ্ঠপোষকতাত এখন বহুমুখী ক্ষেত্ৰীয় জিলা উন্নয়ন পৰিকল্পনা আঁ হাতত লোৱা হৈছে আৰু একাদশ পঞ্চবাৰ্ষিক পৰিকল্প সময়ছোৱাত ইয়াৰ বাবে ৭০৩.৫০ কোটি টকা আৱন্টন দিয়া হৈ



এই কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিখনৰ বাবে প্ৰয়োজন হোৱা ৰাজ্যিক অংশটো ইতিমধ্যে উপলব্ধ হৈছে।

সংখ্যালঘু সম্প্ৰদায়ৰ মাজত শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে দুখীয়া ছাত্ৰ-ছাত্ৰীলৈ জলপানি, ছাত্ৰাবাস তথা ছাত্ৰীনিবাস নিৰ্মাণ, ছাত্ৰী বিদ্যালয়সমূহত প্ৰস্ৰাৱগাৰ নিৰ্মাণ, বিশুদ্ধ খোৱা পানী উপলব্ধকৰণ, শৈক্ষিক ঋণ আৰু বিশেষ উদগনিৰ লেখীয়া বহুতো আঁচনি হাতত লোৱা হ'ব।

সামাজিক, সাংস্কৃতিক কাম-কাজসমূহৰ লগত জড়িত স্বেচ্ছাসেৱী সংস্থাসমূহলৈ বিশেষ অনুদান আগবঢ়োৱা হ'ব। কৃষিৰ আধুনিকীকৰণ, কৃষি ভিত্তিক উদ্যোগ স্থাপন, আধুনিক বজাৰ আৰু শীতল ভঁড়াল, সৌৰশক্তিৰ ব্যৱহাৰ তথা ব্যৱসায়িক খেতিবাতিৰ বাবে দক্ষতা উন্নয়নৰ ওপৰত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

বৰাক উপত্যকাৰ কেতবোৰ বিশেষ সমস্যা আছে। সেই সমস্যাসমূহৰ বিষয়ে মই অৱগত। এই উপত্যকাৰ তিনিওখন জিলাকে সামৰি উপত্যকাটোৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কেতবোৰ আঁচনি যুগুত কৰি এটি বিশেষ পেকেজ প্ৰস্তুত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। দক্ষতা বৃদ্ধি আৰু নিয়োগ সৃষ্টিয়ে এই পেকেজত বিশেষ গুৰুত্ব পাব।

১৭। **চাহ জনজাতি ঃ-**

অসমৰ চাহ জনজাতি সমূহৰ কল্যাণৰ বাবে আমি অগ্ৰাধিকাৰ প্ৰদান কৰিছো। সামৰি নোলোৱা চাহ বাগিছা আৰু চাহ সম্প্ৰদায় অধ্যুষিত এলেকাত ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিখন হাতত লোৱা হ'ব। এতিয়ালৈকে সামৰি নোলোৱা চাহ শ্ৰমিকসমূহৰ বাসগৃহত বৈদ্যুতিক মিটাৰ স্থাপন কৰা হ'ব। চাহ আৰু প্ৰাক্তন চাহ বাগিছা সম্প্ৰদায়ৰ যি সকললোকে বহু বছৰ ধৰি চৰকাৰী আৰু চিলিং উদ্বৃত্ত চৰকাৰী ভূমি দখল কৰি আছে তেওঁলোকক মাটিৰ পট্টা দিয়া হ'ব। বহু সংখ্যক খোৱা পানী আৰু অনাময় আঁচনি হাতত লোৱা হ'ব।

৫০ টা দক্ষতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰ শক্তিশালীকৰণৰ দ্বাৰা যুৱক-যুৱতীসকলৰ প্ৰশিক্ষণ আৰু সামৰ্থ বৃদ্ধিৰ ওপৰত জোৰ

দিয়া হ'ব। সকলোবোৰ বৃত্তিমুখী শাখাকে সামৰি তেখেতসকল উন্নত সা-সজুঁলি যোগান ধৰা হ'ব।

চলিত বিত্তীয় বৰ্ষত বহু সংখ্যক পৰিয়ালমুখী উপ সৃষ্টিকাৰী আঁচনি, মহিলা সবলীকৰণ আঁচনি আৰু চাহ জনজা আৰ্থ-সামাজিক মানদণ্ড উন্নয়নত সক্ৰিয়ভাৱে জড়িত হৈ বেচৰকাৰী সংস্থাসমূহলৈ বিত্তীয় সাহায্য প্ৰদানৰ কাম হাতত হ'ব।

২০১১-১২ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত জনজাতিৰ কল্যাণৰ বাবে ২১ কোটি টকা দিয়া হৈছে।

শিক্ষা ঃ

১৮.১ ৰাজ্যখনৰ শিক্ষাখণ্ডক পুনৰীক্ষণৰ বাবে অগ্ৰাধি প্ৰদান কৰা হ'ব। মই এই পৱিত্ৰ সদনত জনাবলৈ পাই সুখী যে, শিক্ষাৰ অধিকাৰ আইনৰ অধীনত হাতত লোৱা শিক্ষ অধিকাৰৰ নিয়মাৱলী সম্পৰ্কে আমি তলপতে জাননী জাৰি কৰি ইয়াত আমি প্ৰতিটো বসতি স্থলত ১ কিঃ মিটাৰ খোজ কঢ়া দূৰ ভিতৰত এখন নিম্ন প্ৰাথমিক বিদ্যালয় স্থাপন আৰু ৩ কিঃ মি খোজ কঢ়া দূৰত্বৰ ভিতৰত এখন উচ্চ প্ৰাথমিক বিদ্যালয় স্থা কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো। সেইদৰে প্ৰতিটো বসতি স্থ পৰা ৫ কিঃমিটাৰ দূৰত্বৰ ভিতৰত এখন হাইস্কুল স্থাপন কৰাৰ অ ব্যৱস্থা হাতত লোৱা হ'ব। আমাৰ চৰকাৰে নিয়মীয়া ভিত্তিত অ ঠিকা ভিত্তিত প্ৰায় ৪০ হাজাৰ গৰাকী শিক্ষক নিয়োগ কৰিবলৈ প্ৰত গ্ৰহণ কৰিছে। নিয়োগ প্ৰক্ৰিয়াটো স্বচ্ছ কৰাৰ বাবে 'টেট' পৰীক্ষ জৰিয়তে শিক্ষকসকলক নিয়োগ কৰা হ'ব। ২০০৬ চনৰ আগে স্থাপিত আৰু প্ৰয়োজনীয় আনুষ্ঠানিকতা সম্পন্ন কৰা শৈক্ষি প্ৰতিষ্ঠানসমূহক পৰ্য্যায়ক্ৰমে প্ৰাদেশিকীকৰণৰ বাবে আমি এখন নত বিধেয়ক অনাৰ যো-জা কৰিছো। অৱশ্যে ভৱিষ্যতে আৰু কোনো শৈক্ষিক প্ৰতিষ্ঠানকে প্ৰাদেশিকীকৰণৰ বাবে হাতত লোৱা নহয় প্ৰাদেশিকীকৰণ কৰিব খোজা সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত শৈক্ষি প্ৰতিষ্ঠানসমূহলৈ প্ৰদান কৰা বিত্তীয় সাহায্য আঁচনিখন চলিত বৰ্ষ পৰা ব্যাহত হ'ব। আমাৰ প্ৰাদেশিকীকৰণ আঁচনিখনৰ অধীনত অা



৫ বছৰত প্ৰায় ৯৫ হাজাৰ গৰাকী শিক্ষক আৰু কৰ্মচাৰীক সামৰি লোৱাৰ সম্ভাৱনা আছে। পাঠ্য পুথিৰ যাতে অভাৱ নহয় আৰু এইসমূহ যাতে সময়মতে বিতৰণ কৰা হয় সেইটো সুনিশ্চিত কৰাৰ বাবে শিক্ষা বিভাগক সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই পৰামৰ্শ দিছো।

১৮.২ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত একাদশ আৰু দ্বাদশ শ্ৰেণী দুটাক মহাবিদ্যালয় সমূহৰ পৰা পৰ্য্যায়ক্ৰমে বাদ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰথমে কলা বিভাগৰ পাঠ্য ক্ৰমক অহা শৈক্ষিক বৰ্ষত বাদ দিয়া হ'ব। মাধ্যমিক বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ ধাৰণ ক্ষমতা বৃদ্ধি কৰাৰ অৰ্থে আৰু এই বিদ্যালয়সমূহৰ আন্তঃগাঠনি শক্তিশালী কৰাৰ অৰ্থে প্ৰয়োজনীয় পুঁজি যোগান ধৰা হ'ব। ৰাজ্যখনৰ প্ৰতিটো শৈক্ষিকভাৱে অনগ্ৰসৰ উন্নয়ন খণ্ডতে আদৰ্শ বিদ্যালয় আৰু ছাত্ৰী নিবাস স্থাপন কৰা হ'ব। ভৱিষ্যতে মাধ্যমিক বিদ্যালয়সমূহত হ'বলগীয়া শিক্ষক নিযুক্তি এন চি টি ইৰ নৰ্মচ্ অনুসৰি কৰা হ'ব। পিছত সেইসমূহৰ বাবে 'টেট'ৰ নিচিনা যোগ্যতা নিৰ্দ্ধাৰণ কৰা পৰীক্ষা প্ৰৱৰ্ত্তন কৰা হ'ব।

১৮.৩ বাৰ খন নতুন চৰকাৰী মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে। চলিত বিত্তীয় বৰ্ষৰ পৰাই এইবোৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হ'ব। অহা ৩ বছৰত এই কামৰ বাবে ৯৬ কোটি টকাৰ ব্যয়ৰ আৱশ্যক হ'ব। কটন মহাবিদ্যালয়ক এখন Non Affiliated অৰ্ন্তভুক্তিকৰণ নকৰাকৈ বিশ্ববিদ্যালয় পৰ্য্যায়লৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিধান সভাৰ চলিত অধিবেশনতে এই সন্দৰ্ভত যাৱতীয় আইন উত্থাপনৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

চলিত বছৰটোৰ ভিতৰতে আমি কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, অসম কাৰিকৰী বিশ্ববিদ্যালয়, সংস্কৃত আৰু পুৰাতাত্ত্বিক অধ্যয়নৰ কুমাৰ ভাস্কৰ বৰ্মন বিশ্ববিদ্যালয় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ক শক্তিশালী কৰিম। মাদ্ৰাছাবোৰত গুণগত শিক্ষা দানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ১৪.৯৮ কোটি টকা মোকলাই দিছে যিটো আমাৰ নিজৰ উৎসৰ পৰাই পৰিপূৰণ কৰা হ'ব।

১৮.৪ অহা ৩ বছৰত ২৫২ কোটি টকা ব্যয়ৰে ৰাজ্যখনত ২১ খন নতুন প'লিটেকনিক স্থাপনৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা

হৈছে। এই প'লিটেকনিক সমূহৰ নিৰ্মাণৰ কাম এই বছৰৰ প
আৰম্ভ হ'ব।

১৮.৫ এই বিত্তীয় বৰ্ষৰ পৰাই সৈনিক স্কুলত পঢ়া অসমৰ ছা
ছাত্ৰীসকলৰ বাৰ্ষিক ছাত্ৰ বৃত্তিৰ পৰিমাণ ১২,০০০ টকাৰ
৩০,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।

১৮.৬ ২০১১-১২ চনৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত সা
শিক্ষাৰ বাবে ৫৮২.৯৩ কোটি আৰু কাৰিকৰী শিক্ষাৰ বাবে ২৮
কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

১৯। **ক্ৰীড়া আৰু যুৱ কল্যাণ ঃ**

২০০৭ চনত অনুষ্ঠিত হৈ যোৱা ৩৩ তম ৰা
ক্ৰীড়াৰ পিচৰ পৰাই অসমে এক অত্যাধুনিক ক্ৰীড়া গাঁথনি
কৰিছে। এতিয়া এই দিশত আমাৰ গুৰুত্ব দিবলগীয়া বিষয় হ'ল
গাঁথনিসমূহৰ যথাযথ ব্যৱহাৰ আৰু পৰিচালনাৰ ল
গ্ৰাম্যাঞ্চলবোৰত ক্ৰীড়াৰ এক পৰিবেশ আৰু ভিত্তি গঢ়ি তোলা।

মই ৰাজ্যিক স্তৰত সফলতা লাভ কৰা শ্ৰেণী
প্ৰস্ফুটিত উৎকৰ্ষতাৰ ক্ষেত্ৰত ক্ৰীড়া বৃত্তিৰ পৰিমাণ ৩,৬০০ ট
পৰা ৬,০০০ টকালৈ আৰু ৰাষ্ট্ৰীয় স্তৰত সফলতা লাভ
শ্ৰেণীটোৰ বাবে এই বৃত্তিৰ পৰিমাণ ৪,৮০০ টকাৰ পৰা ৮,
টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লৈছো। খ্যাতিসম্পন্ন আন্তঃৰা
প্ৰতিযোগিতাৰ স্বীকৃতিপ্ৰাপ্ত শাখাসমূহত যোগদান কৰা যোগ্য
গ্ৰহণকাৰীক ৫০,০০০ হাজাৰ এক্কালীন বিত্তীয় সাহায্য এতি
পৰা আগবঢ়োৱা হ'ব।

২০১১-১২ বৰ্ষত বৰ্তমানে থকা সকু ষ্টেডিয়াম
ৰাজীৱ গান্ধী ক্ৰীড়া চৌহদ সমূহৰ উন্নয়ন/নৱীকৰণৰ কাম হা
লোৱা হ'ব। উত্তৰ-পূৰ্ব পৰিষদ আৰু এন এল চি পি আৰৰ অ
পৰ্য্যাপ্ত পুঁজিৰ পৰা ৰাজ্যৰ ৰাজধানীত থকা ক্ৰীড়া আন্তঃগাঁথ
উপৰিও জিলা পৰ্য্যায়ত অৰ্দ্ধ চহৰীয়া আৰু গ্ৰাম্য এলেকাত
ৰাজ্যজুৰি তেনেকুৱা আন্তঃগাঁথনি সৃষ্টি কৰা হ'ব। গ্ৰাম্যাঞ্চলত
পথাৰ, ক্ৰীড়া আন্তঃগাঁথনি ইত্যাদি উন্নয়নৰ বাবে যুৱ ক্ৰীড়া
খেল অভিযানৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব। শাৰী



শিক্ষাক স্কুলীয়া পাঠ্যক্ৰমৰ অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত কৰিবলৈ পদক্ষেপ লোৱা হ'ব। শাৰীৰিক শিক্ষাৰ লক্ষ্মীবাঈ ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ উত্তৰ পূৰ্বাঞ্চল আঞ্চলিক কেন্দ্ৰৰ কাম-কাজ ইতিমধ্যে আৰম্ভ হৈছে। যুৱক-যুৱতীৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে মই এখন ৰাজ্যিক যুৱ উন্নয়ন পৰিষদ গঠন কৰিবলৈ প্ৰস্তাৱ কৰো। দুৰ্গত ক্ৰীড়াবিদ সকললৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ অৰ্থে মুখ্য মন্ত্ৰীৰ হিতকৰী পুঁজি নামেৰে এক বিশেষ পুঁজি সৃষ্টি কৰা হ'ব।

ক্ৰীড়া আৰু এন চি চি, স্কাউটচ্ আৰু গাইডত সক্ৰিয় যোগদান কৰাত উদগনি যোগোৱাৰ উদ্দেশ্যে চৰকাৰী চাকৰিৰ নিযুক্তিত তেওঁলোকক অগ্ৰাধিকাৰ দিয়াৰ বাবে এখন নতুন আঁচনি হাতত লোৱা হ'ব। এন চি চি, স্কাউটচ্ এণ্ড গাইডত উল্লেখনীয় সফলতা লাভ কৰা সকলৰ বাবে বিশেষ বঁটাৰ ব্যৱস্থা কৰা হ'ব। ২০১১-১২ বৰ্ষত অসম ক্ৰীড়া প্ৰাধিকৰণৰ বাবে ৭ কোটি টকাৰ এটা কৰ্পাচ পুঁজিৰ মই প্ৰস্তৱ কৰো।

২০। **কলা আৰু সংস্কৃতি ঃ-**

অসমৰ প্ৰাচুৰ্য্য আৰু বহুমুখী সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষা, সংৰক্ষণ আৰু উৎকৰ্ষ সাধনৰ বাবে আমি দায়বদ্ধ। বিভিন্ন আঁচনিৰ জৰিয়তে পুৰাতাত্ত্বিক স্থান, কীৰ্তিচিহ্ন আৰু সত্ৰসমূহৰ সংৰক্ষণৰ বাবে পদক্ষেপ লৈ থকা হৈছে। ত্ৰয়োদশ বিত্তীয় আয়োগে মাজুলীৰ সত্ৰসমূহৰ সংৰক্ষণৰ বাবে ৫ কোটি টকাৰ অনুদান মঞ্জুৰ কৰিছে। যোৰহাটত চাওলুং চুকাফা সমন্বয় ক্ষেত্ৰ, বৰদোৱাত সতী ৰাধিকা সাংস্কৃতিক চৌহদ, গোলাঘাটত সতীসাধিনী সাংস্কৃতিক চৌহদ, তিনিচুকীয়াত শ্ৰী অনিৰুদ্ধ দেৱ সাংস্কৃতিক চৌহদ, চাপৰত শৰৎ চন্দ্ৰ সিংহ স্মাৰক সাংস্কৃতিক চৌহদ, নাজিৰাখাটত উত্তৰ পূৰ্বাঞ্চল জনজাতি সংগ্ৰহালয় আৰু সাংস্কৃতিক কেন্দ্ৰ, শিৱসাগৰত আজান পীৰ দৰগাহ্ আৰু অন্যান্য তেনেকুৱা প্ৰকল্পসমূহৰ নিৰ্মাণ কাৰ্য ক্ষিপ্ৰভাৱে সম্পন্ন কৰাৰ বাবে পদক্ষেপ লৈ থকা হৈছে। ৰাজ্যিক নাট্য প্ৰতিষ্ঠান, সঙ্গীত নাটক একাডেমি, কলা সংস্কৃতিৰ জ্যোতি বিষ্ণু বিশ্ববিদ্যালয়, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মাৰক ন্যাস, জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্প আৰু জ্যোতি চিত্ৰবন ফিল্ম চ'চাইটি কমপ্লেক্সত এখন

চিনেমা নগৰ স্থাপনৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰি থকা হৈ
গুৱাহাটীত এটা ৰাজ্যিক কেন্দ্ৰীয় পুথি ভঁড়াল স্থাপনৰ প্ৰস্তাৱ লো
হৈছে। অসম ৰাজ্যিক সংগ্ৰহালয় আৰু জিলা ক্ষুদ্ৰ সংগ্ৰহালয় সম
উন্নয়নৰ কামো হাতত লোৱা হ'ব। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ আ
স্বামী বিবেকানন্দৰ ১৫০ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ বাবে পদ
লোৱা হৈছে। চলিত বৰ্ষতে আমাৰ চৰকাৰে অসমৰ প্ৰাক্তন মুখ
প্ৰয়াত বিমলা প্ৰসাদ চলিহাৰ জন্ম জয়ন্তী জাকজমকতাৰে উদ্‌
কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

২১। সাহিত্যিক, সাংস্কৃতিক আৰু ক্ৰীড়া পেঞ্চন ঃ

সাহিত্যিক, সাংস্কৃতিক আৰু ক্ৰীড়া পেঞ্চনৰ পৰি
মাহিলী ২০০০ টকাৰ পৰা ৪০০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লৈ
হৈছে। পৰিয়াল পেঞ্চনৰ ক্ষেত্ৰতো একে ধৰণৰ বৃদ্ধি ঘটোৱা হ
এনে সকলো শ্ৰেণীৰে এককালীন অনুদানৰ পৰিমাণো ২৫,০
টকাৰ পৰা ৪০,০০০ টকালৈ বঢ়োৱা হ'ব। চলিত বিত্তীয় ব
পৰাই এনেধৰণৰ পেঞ্চন আৰু এককালীন সাহায্য দিয়া ব্যক্তি
সংখ্যা প্ৰতিটো ক্ষেত্ৰতে ২০ জনলৈ বঢ়োৱা হ'ব।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ

২২.১ স্বাস্থ্য খণ্ডই উচ্চ অগ্ৰাধিকাৰ পাই থাকিব। ২০১১-
চনৰ পুঁজিৰ আৱন্টন ৰাজ্যখনত বৰ্ত্তমানৰ সেৱা সমূহৰ উন্নীতক
আৰু বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানবোৰত ৰোগ নিৰ্ণয়ৰ আৰু চিকিৎস
নতুন সা-সুবিধা প্ৰদানৰ বাবদ প্ৰয়োগ কৰা হ'ব।

২২.২ ৰাজ্যত ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ কাম-কাজৰে
চলি থাকিব আৰু গ্ৰাম্য স্বাস্থ্য প্ৰতিষ্ঠানবোৰ শক্তিশালী কৰা হ'
৬০ খন আদৰ্শ চিকিৎসালয়ৰ কাম-কাজ আৰম্ভ কৰা হৈছে আৰু
বছৰতে ইয়াৰে ১০ খনৰ কাম সম্পূৰ্ণ হ'ব। মৰম, মাজনী আ
মামনি আঁচনিৰ কাম চলি থাকিব আৰু দৈনিক হাজিৰা কৰা ৰো
ছোৱালী শিশু আৰু গৰ্ভৱতী মহিলালৈ নগদ সাহায্য দি থ
হ'ব।২০০৪-২০০৬ বৰ্ষৰ সময়ছোৱাত অসমত প্ৰসূতিৰ মৃত্যুৰ হ
(এম এম আৰ) আছিল ৪৮০ যিটো ২০০৭-০৯ বৰ্ষৰ সময়ছোৱা



হ্ৰাস পাই ৩৯০ হৈছেগৈ। প্ৰসূতিৰ মৃত্যুৰ হাৰৰ এই হ্ৰাস দেশৰ ভিতৰতে সৰ্বোচ্চ। আশা কৰ্মী সকলক মোবাইল ফোন দিয়া হ'ব। এই আঁচনি সমূহ ৰূপায়ণৰ বাবে অসম বিকাশ যোজনাৰ অধীনত ৯৫ কোটি টকা আৱন্টন দিয়া হৈছে। কাৰ্ডিও ভেচকুলাৰ ৰোগ, মধুমেহ আৰু ষ্ট্ৰোকৰ ওপৰত লোৱা আঁচনি (এন.পি.চি.চি.ডি.এচ) আৰু বয়স্থ লোকৰ চিকিৎসাৰ বাবে লোৱা আঁচনিসমূহ ৰূপায়ণৰ ওপৰত উচ্চ অগ্ৰাধিকাৰ দিয়া হ'ব আৰু ইয়াৰ বাবে প্ৰাথমিক ভাবে ৫ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ থকা অঞ্চলবোৰৰ দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালবোৰৰ বাবে দুই লাখ খন এল এল আই এন আঠুৱা যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব। 'অপাৰেচন স্মাইল' আঁচনিৰ অধীনত গুৱাহাটীৰ মহেন্দ্ৰমোহন চৌধুৰীৰ হাস্পাতালত নতুন উন্নত সা-সুবিধাৰে ১০০০ জন ৰোগীৰ অপাৰেচন কৰা হ'ব। ৬ খন নতুন জিলালৈ স্বাস্থ্য বীমা আঁচনিখন সম্প্ৰসাৰিত কৰা হ'ব। জন্মগত হৃদৰোগী আৰু যি সকলৰ হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰ আৰু বৃক্ক সংযোজনৰ প্ৰয়োজন আছে তেওঁলোকে আৰ্থিক সাহায্য পাই থাকিব। দুখীয়া ৰোগী সকলৰ বাবে প্ৰাৰম্ভিক ভাবে ৬ কোটি টকাৰ এক 'কৰপাচ' পুঁজিৰে অসম আৰোগ্য নিধি গঠন কৰা হ'ব। আটাইবোৰ জিলাতে সকলো মানসিক ৰোগীৰ বাবে চিকিৎসা সেৱা উপলব্ধ কৰোৱাৰ প্ৰচেষ্টা চলোৱা হ'ব। কামৰূপ চিভিল হস্পিতাল খনক এক অত্যাধুনিক সা-সুবিধাৰ হস্পিটেললৈ পৰিবৰ্ত্তন কৰাৰ বাবে ২২ কোটি টকা খৰছ কৰা হ'ব। এইচ আই ভি আক্ৰান্ত শিশু সকলৰ বাবে এক বিশেষ প্ৰযত্নালয় স্থাপন কৰা হ'ব।

ৰাজ্যখনৰ ৮০০০ খন গাৱঁলৈ সঞ্জীৱনী আঁচনিখন সপ্ৰসাৰিত কৰা হ'ব। ১০৮ আৰু ১০৪ সেৱা চলি থাকিব। ভ্ৰাম্যমান চিকিৎসা গোট ব্যৱস্থাটো সকলো মহকুমালৈকে সম্প্ৰসাৰিত কৰা হ'ব আৰু ১০৮ সেৱাৰ অধীনত ৪ খন নৌকা এম্বুলেঞ্চৰ সেৱা আৰম্ভ কৰা হ'ব। বৰপেটা মেডিকেল কলেজৰ নিৰ্মাণ এই বছৰতে সম্পূৰ্ণ হ'ব আৰু এই কলেজত অহা শৈক্ষিক বৰ্ষৰ পৰাই নাম ভৰ্ত্তিৰ ব্যৱস্থা কৰা হ'ব। তেজপুৰ মেডিকেল কলেজৰ নিৰ্মাণৰ বাবদ ৫১ কোটি টকা আৰু ডিফু মেডিকেল কলেজ নিৰ্মাণৰ বাবে

১০ কোটি টকা দিয়া হ'ব। এই বছৰৰ পৰাই ধুবুৰী, লখিমপুৰ ড
কোক্ৰাঝাৰ মেডিকেল কলেজ স্থাপনৰ প্ৰাৰম্ভিক কাম-কাজ আ
কৰা হ'ব। আমি যোৰহাট মেডিকেল কলেজৰ আন্তঃগাঁথনি
কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিম আৰু পি পি পি ব্যৱস্থাৰ অ
নগাৱত এখন মেডিকেল কলেজ স্থাপনৰ ব্যৱস্থাও কৰিম। ডি
আৰু শিলচৰত দুখন বি এছ চি নাৰ্ছিং কলেজ আৰু ৬ খন জি
এম স্কুলে এই বছৰৰ ভিতৰতে কাম চলাব পৰা হৈ উঠিব। গুৱা
মেডিকেল কলেজৰ কৰ্কট হাস্পাতালৰ বাবে ৮ কোটি টকাৰ যো
ধৰা হ'ব আৰু ৩০ কোটি টকাৰ বিনিয়োজনেৰে গুৱাহাটী মেডি
কলেজত এটা পি ই টি স্কেন স্থাপন কৰা হ'ব। আমি স্বাস্থ্য বিজ্ঞ
শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় আৰু চিকিৎসা শিক্ষাৰ সঞ্চালকাল
পৰিকাঠামো বৃদ্ধি কৰিম আৰু 'আয়ুসৰ' (এ ওৱাই ইউ এচ এ
এটা নতুন সঞ্চালকালয় স্থাপন কৰিম। স্বাস্থ্য সেৱাৰ সৈতে সম্প
নিৰ্মাণ, ব্যৱস্থাপনা, সংগ্ৰহ আৰু বিতৰণৰ কাম-কাজ বে
ধাৰাবাহিকতা বৰ্ত্তাই ৰাখিবলৈ অসম চিকিৎসা উন্নয়ন নিগম গ
হ'ব। গুৱাহাটীৰ মহেন্দ্ৰমোহন চৌধুৰী হাস্পাতাল খনক
বিজ্ঞানৰ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সহযোগী হাস্পাতাল
হ'ব।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ ২০১১-১২ চনৰ বা
পৰিকল্পনাৰ অধীনত ৪৬১.৪৯ কোটি টকা ধাৰ্য কৰা হৈছে।

২৩। জনস্বাস্থ্য ঃ

ৰাজ্যখনৰ জনসাধৰণক বিশুদ্ধ খোৱা পানী আ
অনাময় ব্যৱস্থা প্ৰদান কৰাৰ অৰ্থে আমাৰ চৰকাৰে অগ্ৰাধিকাৰ প্ৰ
কৰিছে। সহজে ঢুকি নোপোৱা অঞ্চল, চাহ বাগান এলেকা, চ
চাপৰি এলেকা আৰু অনুসুচীত জাতি আৰু অনুসূচীত জনজা
অধ্যুষিত এলেকাৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব। দৰি
সীমাৰেখাৰ অধীনত বাস কৰা সকলো পৰিয়ালকে কম খৰছ
অনাময়ৰ সা-সুবিধা প্ৰদান কৰাৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰা হ'
অঙ্গনবাদী কেন্দ্ৰ সমূহৰ যিবোৰ শৈক্ষিক প্ৰতিস্থানত এতিয়াও বিশু



খোৱা পানী আৰু অনাময়ৰ ব্যৱস্থা কৰা হোৱা নাই। তেনে প্ৰতিষ্ঠান
সমূহত এই ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

২০১১-১২ বৰ্ষত ৩০৫৪ টা গুনগত ভাবে আক্ৰান্ত
বসতি স্থল আৰু ২৯১৫ টা এতিয়াও সামৰি নোলোৱা বসতি স্থলক
বিশুদ্ধ খোৱা পানী যোগান ধৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে। গৃহ
পৰিদৰ্শনৰ লগতে অন্যান্য কাম-কাজৰ জৰিয়তে সু-অনাময় ব্যৱস্থা
আৰু পৰিস্কাৰ তথা স্বাস্থ্যসন্মত শৌচাগাৰ স্থাপনৰ বাবে ব্যাপক
ৰূপত সজাগতা কাৰ্য্যসূচী গ্ৰহণ কৰা হ'ব।

২৪। সমাজ কল্যাণ ঃ

শিশু, মহিলা, অক্ষমলোক আৰু সমাজৰ বৃদ্ধ তথা
সবল-অচৰ লোক সকলৰ কল্যাণৰ অৰ্থে আমি কেইবাখনো আঁচনি
হাতত লৈছো। মহিলা সৱলীকৰণৰ বাবে এখন মহিলা ঔদ্যোগিক
উন্নয়ন পৰিষদ গঠন কৰা হ'ব। গ্ৰাম্য মহিলাৰ অৰ্থনৈতিক
সৱলীকৰণৰ বাবে মুখ্যমন্ত্ৰীৰ মহিলা সমৃদ্ধি যোজনা ৰূপায়ণৰ কাম
অব্যাহত ৰখা হ'ব। প্ৰতিটো উন্নয়ন খণ্ডতে একোটাকৈ মহিলা ক্লাব
স্থাপন কৰা হ'ব আৰু অভাৱগ্ৰস্থ মহিলাৰ বাবে মহিলা নিবাস তথা
আশ্ৰয় গৃহ নিৰ্মাণ কৰা হ'ব। সকলো মহিলা সৱলীকৰণ আঁচনিকে
চোৱাচিতা কৰি আগুৱাই নিয়াৰ অৰ্থে এখন মহিলা উন্নয়ন কৰ্ত্তৃপক্ষ
স্থাপন কৰা হ'ব।

কন্যা শিশুক উপযুক্ত পুষ্টিকৰ আহাৰ, শিক্ষা আৰু
আশ্ৰয় প্ৰদান কৰাৰ বাবে আমি প্ৰচেষ্টা হাতত ল'ম। এখন শিশু
উন্নয়ন পৰিষদ আৰু শিশুৰ বাবে এক ৰাজ্যিক আয়োগ স্থাপন কৰা
হ'ব। মহিলা আৰু শিশুক পুষ্টিকৰ আহাৰ যোগান ধৰাৰ বাবে
সংহত শিশু উন্নয়ন আঁচনিখন ৰূপায়ণৰ কাম অব্যাহত ৰখা হ'ব।
অঙ্গনবাদী কৰ্মী আৰু সহায়িকাৰ মাহেকীয়া মাননী বৃদ্ধি কৰা হ'ব।
তেওঁলোকক বিনামূলীয়া ছাতি যোগান ধৰাৰ বাবে ২ কোটি টকা
আছুতীয়াকৈ ৰখা হৈছে। চলিত বৰ্ষত কিশোৰীৰ সৱলীকৰণৰ বাবে
'সবলা' নামৰ এখন নতুন আঁচনি ৰূপায়ণ কৰা হ'ব। সমাজৰ
অনাথ, অনৈতিক ভাবে সৰবৰাহ হোৱা আৰু নিপিড়িত মহিলা পুনৰ
সংস্থাপনৰ বাবে আমি পদক্ষেপ হাতত লৈছো।

মুখ্যমন্ত্ৰীৰ জীৱনজ্যোতি বীমা আঁচনি আৰু আম জ বীমা যোজনাৰ ৰূপায়ণৰ কাম অব্যাহত ৰখা হ'ব। হৰি সম্প্ৰদায়ৰ লোকৰ সাংস্কৃতিক আৰু আৰ্থ সামাজিক উন্নয়নৰ ক কেইবাটাও ব্যৱস্থা হাতত লোৱা হ'ব। অসম বিকাশ যোজ অধীনত প্ৰাক্‌বিদ্যালয় শিক্ষাক আৰু অধিক শিশুমুখী কৰি তোলাৰ বাবে আচনি ৰূপায়ণ কৰা হ'ব। চলিত বৰ্ষত অক্ষম লো নিৰনুৱা ভাট্টা আৰু শাৰীৰিক ভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা পৰিয়ালক দিয়া ভাট্টা অব্যাহত থাকিব। অনা চৰকাৰী সংস্থা অ-সামৰিক সমিতিৰ সহযোগত পুৰুষ আৰু মহিলাৰ বাবে আৱাস সম্পৰ্কীয় প্ৰয়োজনীয় আন্তঃগাথনি সৃষ্টি কৰা হ'ব। মান ভাৱে অসুস্থ তথা বাধাগ্ৰস্ত লোক আৰু ড্ৰাগচ্ সেৱন কৰি আ হোৱা লোক সকলৰ বাবে উপযুক্ত প্ৰাতিস্থানিক সেৱা আগবঢ়ো অৰ্থে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। বৃদ্ধাৱস্থাত প্ৰয়োজনীয় সামা নিৰাপত্তাৰ উপৰিও জ্যেষ্ঠ নাগৰিক সকলৰ আন বহুতো সম থাকে। তেওঁলোকৰ এনে সমস্যা আৰু উদাৰ আপত্তিবোৰ সমা কৰাৰ উদ্দেশ্যে মই এখন জ্যেষ্ঠ নাগৰিক পৰিষদ গঠন কৰাৰ সি গ্ৰহণ কৰিছো।

বাৰ্ষিক পৰিকল্পনা ২০১১-১২ ৰ অধীনত বি সামাজিক কল্যাণমূলক আৰু পৰিপুষ্টি আঁচনিৰ বাবে ১৮৫ কে টকা প্ৰদান কৰা হৈছে।

২৫। কৃষি ঃ

২০১০-১১ বৰ্ষত অসমে কৃষি আৰু উদ্যান খ অভিলেখ সংখ্যক উৎপাদন লভিবলৈ সক্ষম হৈছে আৰু ই মো যথেষ্ট আনন্দিত কৰিছে। যোৱা বছৰত ধানৰ উৎপাদন ১৫ শতাংশ বৃদ্ধি হৈছে। খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত সৰ্ব্বোৎ পাৰদৰ্শিতা দেখুৱাৰ পৰাৰ হেতুকে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনক কোটি টকাৰ এটা বঁটাৰ বাবে নিৰ্বাচিত কৰিছে। বিশ্ব বেংক সাহায্যত চলি থকা আসাম এগ্ৰিকালচাৰ কমপিটিটিভনেচ প্ৰজেক্ট কাম-কাজ সুচাৰুৰূপে চলি আছে। ইয়াৰ ওপৰত ভিত্তি ক



পৰিকল্পনা আয়োগ আৰু বিশ্ব বেংকে আমাৰ অতিৰিক্ত ১০০ মিলিয়ন ডলাৰ (USD)ৰ দাবীক সমৰ্থন জনাইছে।

পূৰ্বোত্তৰ ভাৰত সম্প্ৰসাৰিত হৈ থকা সেউজ বিপ্লৱৰ আঁচনিখন এতিয়া আমাৰ ৰাজ্যখনতো চলি আছে। আমি শাক-পাচলি উৎপাদন ২০১০-১১ বৰ্ষত ৮১ শতাংশ বৃদ্ধি কৰিছো আৰু ই ২০০০-২০০১ চনতকৈ বৃদ্ধি পাইছে। ৰাজ্যখনত উদ্যান শস্য আৰু ফুলৰ খেতি অধিক উন্নীতকৰণৰ বাবে আমি অগ্ৰাধিকাৰ প্ৰদান কৰিম।

চলিত বিত্তীয় বৰ্ষত সাৰ প্ৰয়োগ, উন্নত কৃষি যান্ত্ৰিকীকৰণ, ভূমিৰ উৰ্বৰা শক্তি, কৃষি ঋণ, নিশ্চিত পানী যোগান সম্প্ৰসাৰণ আৰু গুনগত ৰোপন সামগ্ৰীৰ পৰ্য্যাপ্ত কৰণৰ বাবে পদক্ষেপসমূহ লোৱা হ'ব। ৰাজ্যখনক অধিক উৎপাদনৰ শস্যৰ বীজ, মাহ জাতীয় শস্যৰ বীজ আৰু তৈলজাতীয় শস্যৰ বীজ ইত্যাদিৰ দিশত স্বনিৰ্ভৰশীলতা প্ৰদান কৰিবলৈ সকলোবোৰ প্ৰয়োজনীয় পদক্ষেপ লোৱা হ'ব। গুনগত মানসম্পন্ন বীজৰ পৰ্য্যাপ্তভাবে উন্নীত কৰিবলৈ অসম ৰাজ্যিক বীজ প্ৰামানিক সংস্থাক শক্তিশালীকৰণৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিম। কৃষি আৰু ইয়াৰ আনুসঙ্গিক খণ্ড সমূহত সম্প্ৰসাৰিত সেৱা সমূহৰ পৰিসৰ বৃদ্ধি আৰু সামৰ্থ বৃদ্ধিৰ ওপৰত জোৰ দিয়া হ'ব। আমাৰ হস্তক্ষেপৰ ফলশ্ৰুতিত ভাৰতীয় খাদ্য নিগমে বড়ো ধান সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছে। স্থানীয়ভাৱে উৎপাদিত ধানৰ পৰা জলীয় বাষ্পৰ পৰিমাণ হ্ৰাস কৰিবলৈ ড্ৰায়াৰ যোগান ধৰিবলৈ পদক্ষেপ লোৱা হৈছে। বৰ্দ্ধিত কৃষি উৎপাদিত সামগ্ৰীৰ সংৰক্ষণৰ জোৰা মাৰিবলৈ প্ৰত্যেকটো জি পি এছত বহু সংখ্যক ভড়ালৰ সা-সুবিধা স্থাপন কৰিবলৈ আমি যো-জা চলাইছো। ৰাজ্যখনৰ কৃষি খণ্ডলৈ ঋণৰ গতি ত্বৰান্বিত আৰু কৃষক ঋণপত্ৰ অধিক খৰতকীয়াকৈ প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

বৰ্তমানৰ কৃষি অধিক মাত্ৰাই প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল হৈছে। ইয়াৰ ফলত কৃষকৰ সমস্যাসমূহৰো গুণগতভাবে পৰিবৰ্তন হৈছে। সেয়েহে কৃষকৰ সমস্যাসমূহৰ মোকাবিলা কৰিবলৈ

মই কৃষক পৰিষদ স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। একে সম এখন কৃষি আয়োগো গঠন কৰি থকা হৈছে। কৃষি বিজ্ঞানৰ প্ৰয়োগসহ উচিত প্ৰযুক্তি আৰু অন্যান্য কাৰিকৰী বিষয়সমূহত ব চৰকাৰক পৰামৰ্শ প্ৰদান কৰিবলৈ এই আয়োগ হ'ব এক বিশে পৰামৰ্শ গোট।

২০১১-১২ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত জ কৃষি আৰু ইয়াৰ আনুষঙ্গিক খণ্ডৰ বাবে ৭৮৫.৬৭ কোটি আবণ্টন কৰিবলৈ প্ৰস্তাৱ লৈছো।

২৬। জলসিঞ্চন ঃ

সংহত কৃষি পদ্ধতি অৱলম্বনেৰে কৃষকৰ আয় ব কৰাৰ উদ্দেশ্যে পৰ্য্যাপ্ত সংখ্যক জলসিঞ্চন আঁচনি হাতত লব আমি প্ৰতিশ্ৰুতিবদ্ধ। সৰ্বাধিক জলসিঞ্চনৰ সম্ভাৱনীয়তা থকা ২৭ ল হেক্টৰ মাটিৰ বিপৰীতে ২০১১ চনৰ মাৰ্চ মাহলৈকে ৫ খন বৃ আঁচনি, ১১ খন মজলীয়া আৰু ১ হাজাৰ ২৩৮ খন ক্ষুদ্ৰ জলসি আঁচনিৰ জৰিয়তে ৭ লাখ ৯৭ হাজাৰ হেক্টৰ ভূমি সামৰি লৈ হৈছে।

অধিক পৰিমাণৰ কৃষি ভূমিত জলসিঞ্চন ব্যৱস্থ অন্তৰ্ভূক্ত কৰাৰ বাবে একচিলেৰেটেড ইৰিগেচন বেনিফিট প্ৰ'গ্ৰে কমাণ্ড এৰিয়া ডেভেলেপমেন্ট এণ্ড ৱাটাৰ মেনেজমেন্ট প্ৰ'গ্ৰে অসম বিকাশ যোজনা আৰু নাবাৰ্ডৰ অধীনৰ আঁচনি, ৰাজ্যিক আঁচ আৰু কেন্দ্ৰীয় অপৰিশোধেয় পুঁজিৰ অধীনত কেইবাখনো আঁচ ৰূপায়ণ কৰি থকা হৈছে।

২০১১-১২ বৰ্ষত ১৯ হাজাৰ ২৪৪ হেক্টৰ মাটি জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ বৰ্ত্তমান এ আই বি পিৰ অধীনত খন বৃহৎ আৰু মজলীয়া জলসিঞ্চন আঁচনিৰ কাম পূৰ্ণগতিত চ আছে। ২৪ হাজাৰ ৪০০ হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্ পুনৰোজ্জীৱিত কৰাৰ উদ্দেশ্যে ইতিমধ্যে জলসিঞ্চন প্ৰকল্পটো আধুনিকৰণৰ কাম নাবাৰ্ড (আৰ আই ডি এফ একাদশ)ৰ পুঁজিৰে সম্পূৰ্ণ কৰা হৈছে। ৫ হাজাৰ ৬৬৮ হেক্টৰ ভূমিত জলসিঞ্চন



সম্ভাৱনীয়তা নিশ্চিত কৰাৰ উদ্দেশ্যে অসম বিকাশ যোজনাৰ অধীনত ৰূপহী জলসিঞ্চন প্ৰকল্পৰ পুনৰোজ্জিৱীতকৰণৰ কাম চলি আছে। কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যৰে বানত ক্ষতিগ্ৰস্ত বৰদিকৰাই বৃহৎ জলসিঞ্চন প্ৰকল্পটো পুনৰ নিৰ্মাণৰ কাম কৰি থকা হৈছে আৰু বৰ্তমানলৈ ২৭ হাজাৰ ২০০ হেক্টৰ ভূমিত পুনৰ জলসিঞ্চন সম্ভৱ কৰি তোলা হৈছে।

২০১২ চনৰ ৩১ মাৰ্চলৈকে জলসিঞ্চন ব্যৱস্থাৰ অন্তৰ্ভূক্ত ভূমিৰ পৰিসৰ বৰ্তমানৰ ৭ লাখ ৯৭ হাজাৰ হেক্টৰৰ পৰা ৮ লাখ ৫৩ হাজাৰ হেক্টৰলৈ বৃদ্ধি কৰা হ'ব। ২০১১-১২ চনৰ বাৰ্ষিক পৰিকল্পনা শিতানত ৩৬৩ কোটি ৩৭ লাখ টকা ধাৰ্য্য কৰা হৈছে।

২৭। পশুপালন, পশুচিকিৎসা আৰু দুগ্ধ উৎপাদন ঃ

গ্ৰাম্য আৰ্থ-সামাজিক জীৱনত পশুপালনৰ গুৰুত্ব অপৰিসীম। আমি ইয়াৰ বাবে বিভিন্ন আঁচনি যেনে দুগ্ধ উৎপাদন বৃদ্ধিৰ বাবে কৃত্ৰিম প্ৰজনন সেৱা, গৰু ম'হৰ অন্তৰ্ভূক্তিকৰণ কাৰ্য্যসূচী, ঘাঁহৰ খেতি, অৰ্দ্ধ বিস্তৃত ছাগলী আৰু গাহৰি পাম আঁচনি, গ্ৰাম্যাঞ্চলত গৈ ঘৰে ঘৰে কৰা হাঁহ কুকুৰা বিতৰণ কাৰ্যসূচী আৰু পশুৰোগ নিয়ন্ত্ৰনৰ বাবে ব্যাপক হাৰত প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰিছো। উত্তৰ-পূৰ্বাঞ্চলত উন্নতমানৰ শুক্ৰ যোগান ধৰাৰ বাবে বৰপেটাত এটি হিমায়িত শুক্ৰ উৎপাদন কেন্দ্ৰও স্থাপন কৰি থকা হৈছে।

৮৬০ টা মহিলা আত্ম সহায়ক গোট আৰু ১০০ টা অন্য আত্ম সহায়ক গোটক ছাগলী আৰু গাহৰি পামৰ বাবে সাহায্য আগবঢ়াই থকা হৈছে। আনহাতে বাণিজ্যিক ভিত্তিত ব্ৰইলাৰ উৎপাদন কৰিবলৈ লোৱা পামক অগ্ৰাধিকাৰ ভিত্তিত কামৰূপ আৰু যোৰহাট জিলাত সহায় আগবঢ়াই থকা হৈছে। পশুচিকিৎসক, অৰ্দ্ধ পশুচিকিৎসক, পশুপালক সকলৰ দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে ৰানীত আঞ্চলিক পশুধন উদ্যোগী আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠান স্থাপন কৰি থকা হৈছে। ২০১১-১২ বিত্তীয় বৰ্ষত ৮০ খন পশুচিকিৎসালয় আৰু

উপকেন্দ্ৰ স্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। শীঘ্ৰে এখন ক পশুচিকিৎসা বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

আমি প্ৰতিখন জিলাতে একোখনকৈ ভ্ৰাম্যমান চিকিৎসালয় অন্তৰ্ভূক্তিৰে পশুপালক সকলৰ ঘৰে ঘৰে পশুচি সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰিম। বাণিজ্যিক ভিত্তিত দুগ্ধ উৎ পাম স্থাপন কৰিবলৈ বিচৰা উদ্যোগী সকলক বেংকৰ জৰি সুবিধা প্ৰদান কৰা হৈছে। ২০১১-১২ বিত্তীয় বৰ্ষত দুগ্ধ উৎ খণ্ডত জনসচেতনতা অভিযান আৰু প্ৰশিক্ষণ কাৰ্য্যসূচী গ্ৰহণ হ'ব। ২০১১-১২ ৰ বাৰ্ষিক পৰিকল্পনাত পশুপালন আৰু উৎপাদন উন্নয়ন শিতানত ৫৬ কোটি ১৮ লাখ টকা আগবঢ় হৈছে।

২৮। **মীন ঃ**

এইটো এটা গৌৰৱৰ বিষয় যে অসমে ২০০৭ বৰ্ষৰ সময়ছোৱাত উৎপাদন হোৱা মাছৰ উৎপাদন ১.৯০ মেট্ৰিক্টনৰ তুলনাত ২০১০-১১ বৰ্ষৰ সময়ছোৱাত অভিলেখ স ২.৩২ লাখ মেট্ৰিক্টন মাছ উৎপাদন কৰিবলৈ সক্ষম হৈছে। উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ অৰ্থে মাছৰ উৎ অধিক বৃদ্ধি কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত বহু সং নাৰ্চাৰী আৰু মাছৰ পোনা পোহা পুখুৰী সৃষ্টি কৰা হৈছে আৰু ই পৰিসৰ বৃদ্ধি কৰা হৈছে। মীন পালক সকলক সহায় কৰাৰ এটা ৰাজ্যিক মৎস্য গৱেষণাগাৰ স্থাপন কৰা হৈছে। ধুবুৰী শিলচৰত নিৰ্মল পানীত মাছ পোনা জগোৱা আৰু দুটা পু স্থাপনৰ কাম চলি আছে। মাছৰ খাদ্যৰ চাহিদা পূৰণৰ অৰ্থে অ মীন উন্নয়ন নিগমে এটা মৎস্য খাদ্য প্ৰস্তুত কাৰখানা স্থাপন ক অৰ্থে এখন আঁচনি হাতত লৈছে। উন্নত মানদণ্ডৰ মাছৰ পো উৎপাদন আৰু বিতৰণ নিয়ন্ত্ৰণ কৰাৰ অৰ্থে অসম মৎস্য পো আইন, ২০০৫ ৰ অধীনত অসম মৎস্য পোনা বিধি, ২০১০ প্ৰস্তুত কৰা হৈছে।



এই বছৰত মহিলা সৱলীকৰণ, সজাগতা কাৰ্যসূচী আৰু বিজ্ঞান সন্মত মৎস্য পালনৰ ওপৰত প্ৰশিক্ষণ, প্ৰতিষ্ঠানিক ঋণৰ সুচলতা, সম্প্ৰসাৰণ সেৱাৰ শক্তিশালীকৰণ ইত্যাদিৰ ওপৰত আমি গুৰুত্ব প্ৰদান কৰিম। জিলা কৰ্তৃপক্ষৰ দ্বাৰা মৎস্য পালকৰ সঠিক পঞ্জীয়ন আৰু নিষিদ্ধ সময়ছোৱাত মৎস্য পালক সকলক বিত্তীয় উদগনি দিয়াৰ অৰ্থে আমি প্ৰয়োজনীয় পদক্ষেপ ল'ম।

২০১১-১২ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত এই খণ্ডৰ কাৰণে ৪৩.০৪ কোটি টকা আগবঢ়োৱা হৈছে।

২৯। **পঞ্চায়ত আৰু গ্ৰমোন্নয়ন ঃ**

ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ৮৭ শতাংশ গ্ৰামাঞ্চলত বসবাস কৰে। গ্ৰামাঞ্চলৰ লোকসকলৰ অৱস্থাৰ উন্নীতকৰণ অবিহনে ৰাজ্যখনত উন্নয়ন অৰণ্যৰোদনত পৰিণত হ'ব। মোৰ চৰকাৰে গ্ৰামাঞ্চলৰ স্বনিয়োজন, মজুৰী নিয়োজন, গৃহ আৰু আন্তঃগাঠনি উন্নয়নৰ বাবে বহু সংখ্যক গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণ কৰিছে।

খণ্ড উন্নয়ন বিষয়া সকললৈ বিভাগীয় গাড়ী যোগান ধৰিবলৈ এই বছৰত পদক্ষেপ লৈ থকা হৈছে। ইয়ে খণ্ড উন্নয়ন বিষয়া সকলক আঁচনি সমূহ খৰতকীয়াকৈ ৰূপায়িত কৰাত সহায় কৰিব। খণ্ড উন্নয়ন বিষয়া সকলৰ আৱাসৰ সা-সুবিধা সমূহ নিৰ্মাণ আৰু পুনৰনিৰ্মাণৰ বাবে পদক্ষেপ লোৱা হ'ব। এই খণ্ডৰ মানৱসম্পদৰ নাটনিৰ জোৰা মাৰিবলৈ সকলোবোৰ গুৰুত্বপূৰ্ণ পদবী খৰতকীয়াকৈ পূৰণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

আঁচনি ৰূপায়নৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ আতৰাবলৈ অসম পঞ্চায়ত আইন, ১৯৯৪ খনৰ সংশোধন আৰু এই খণ্ডটোৰ সাম্প্ৰতিক প্ৰয়োজন সমূহৰ ওপৰত ভিত্তি কৰি এখন নতুন সেৱা বিধিও চূড়ান্ত কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

পঞ্চায়তৰ কাম-কাজ সমূহ উন্নীত কৰিবলৈ সকলোবোৰ গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তলৈ কম্পিউটাৰ প্ৰদান কৰা হৈছে। মই সদনক এইটো জনাবলৈ পাই সুখী হৈছো যে পঞ্চায়ত

সসমূহত অনলাইন আদৰ্শ হিচাপ ব্যৱস্থাৰ সঠিক ৰূপায়নৰ ৰাষ্ট্ৰীয় পৰ্যায়ত অসমক তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হৈছে।

ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আচঁনিখনৰ কেবি অনুমোদন ক্ষীপ্ৰতৰ কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে যাতে বৰ্ষটো শেষ হোৱাৰ আগতে ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভি চ'চাইটি গঠন কৰিব পাৰি।

পৰিকল্পনা অনুসাৰে গ্ৰাম্যাঞ্চলৰ উন্নয়ন সাধনৰ এক ৰাজ্যিক গ্ৰাম্য উন্নয়ন কৰ্তৃপক্ষ গঠন কৰা হ'ব। মহাত্মা ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আচঁনিখন অধিক শক্তিশালী কৰা আৰু স্বৰ্ণ জয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনাৰ অধীনত আত্মসহা গোট সমূহলৈ সমৰ্থন বৃদ্ধি কৰা হ'ব। এম এনৰেগাৰ হিতাধীসক প্ৰদান কৰা দেয়ক সমূহৰ প্ৰকৃত আৰু স্বচ্ছতাৰ নিশ্চিতিকল্পে আচঁনিখনৰ হিতাধীকাৰীসকললৈ স্মাৰ্ট কাৰ্ড প্ৰদান কৰিবলৈও প্ৰ কৰা হৈছে।

এই খণ্ডৰ বাবে ৮৪৭.৫৬ কোটি টকা আৱন্টন হৈছে। ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰীৰ স্ব-নিয়োজন যোজনাৰ বাবে কোটি টকা, এম এনৰেগাৰ বাইঅ'মেট্ৰিক স্মাৰ্ট কাৰ্ডৰ বাবে কোটি টকা আৰু ৰাষ্ট্ৰীয় সামাজিক সাহায্য আচঁনিখনৰ নিৰ্দেশ ওপৰত ভিত্তি কৰি নিয়মীয়া হাৰৰ উপৰিও বৃদ্ধ সকললৈ বা পেঞ্চনৰ বাবে ১০ কোটি টকা ধাৰ্য কৰা হৈছে।

৩০। সমবায় ঃ

অসমত কৃষি ঋণ, আবাস, মীন, দুগ্ধ প্ৰস্তুতকৰণ, কু আৰু ক্ষুদ্ৰ উদ্যোগ, পৰিবহন ইত্যাদিক সামৰি বহুতো সংখ সমবায় সমিতি আছে। এই সমবায় সমিতি সমূহৰ ভূমিকা আৰু ক কাজ সমূহক সঠিক দিশত পৰিচালিত কৰিবলৈ আমি কেতবো পদক্ষেপ গ্ৰহণ কৰি আছো। পূৰ্বতে গৃহীত হোৱা অসম সমব সমিতি বিধেয়ক খনত ভাৰতৰ ৰাষ্ট্ৰপতিৰ পৰামৰ্শাৱলী স অন্তৰ্ভূক্তিৰ প্ৰক্ৰিয়া চলি আছে। অসমত হ্ৰস্বকালীন সমবায় খ গাথনিটোৰ পুনৰুজ্জীৱিত কৰণৰ বাবে কাৰ্য্য ব্যৱস্থা লোৱা হৈ



যাতে গাওঁ পঞ্চায়ত সমবায় সমিতিসমূহে নতুন বিত্ত আহৰণৰ বাবে যোগ্য বুলি বিবেচিত হয়। শিৱসাগৰত অসম ৰাজীৱ গান্ধী সমবায় পৰিচালনা বিশ্ববিদ্যালয় স্থাপনৰ কাম চলি আছে।

সুনিয়ন্ত্ৰণৰ আধাৰত যুক্তিগত সমৰ্থন প্ৰদান, উন্নত সা-সুবিধা আৰু ৰুগ্ন সমবায় সমূহ বন্ধ কৰাত ভাল আৰু আৰ্থিকভাৱে উপযোগী সমবায় সমূহৰ প্ৰতিপালনৰ দ্বাৰা সমবায় সমিতি সমূহক শক্তিশালী কৰিবলৈ মই প্ৰস্তাৱ কৰো।

চলিত বিত্তীয় বৰ্ষত কিছু সংখ্যক আঁচনি ৰূপায়ণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। সেইবোৰৰ ভিতৰত অসম ৰাজীৱ গান্ধী সমবায় পৰিচালনা বিশ্ববিদ্যালয়ৰ আন্তঃগাথনি উন্নয়ন, গাঁও পঞ্চায়ত পৰ্যায়ৰ মহিলা বহুমুখী সমবায় সমিতিসমূহৰ কাম কাজৰ বহুমূখীকৰণ আৰু বৈটামাৰী স্থিত অসম ক'অপাৰেটিভ স্পিনিং মিল আৰু কামপুৰ স্থিত নগাঁও ক'অপাৰেটিভ চুগাৰ মিলৰ লেখীয়া সম্পূৰ্ণ মৃত্যুমুখী তথা ৰুগ্ন সমবায় সমূহ বন্ধ কৰা। গাঁও পঞ্চায়ত পৰ্য্যায়ৰ বহুমুখী সমবায় সমিতি সমূহ, পূৱ অসম দুগ্ধ উৎপাদক সমবায় সংঘ পৰিসীমিত আৰু অসম পলিয়েষ্টাৰ সমবায় সমিতি পৰিসীমিতক শক্তিশালী কৰা হ'ব।

৩১। জল সম্পদ ঃ

১৯৫৪ চনত ৰাষ্ট্ৰীয় বান নীতি গ্ৰহণ কৰাৰ পিছৰ পৰা আমি বান নিয়ন্ত্ৰণৰ দিশত বহুতো হ্ৰস্বকালীন আঁচনি ৰূপায়ণ কৰি আহিছো আৰু বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত ১৬.৫০ লাখ হেক্টৰ অঞ্চলত উপযুক্ত প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হৈছো। বিশেষকৈ উপযুক্ত গৰাখহনীয়া প্ৰতিৰোধ ব্যৱস্থা, মথাউৰি নিৰ্মাণ, নলা-নৰ্দমা আৰু শ্লুইচ গেট আদি স্থাপনৰ দ্বাৰা এনে সফলতা অৰ্জন কৰা হৈছে। বান নিয়ন্ত্ৰণ আঁচনি, নাবাৰ্ড, অতিৰিক্ত কেন্দ্ৰীয় পুঁজি আৰু ৰাজ্যিক আঁচনিৰ অধীনত কেইবাখনো আঁচনি ৰূপায়িত কৰি থকা হৈছে। এচিয়ান ডেভেলপ্মেন্ট বেংকৰ পুঁজিৰ দ্বাৰা ৰূপায়িত কৰি থকা Assam Integrated Flood and River Bank Erosion Risk Management Project ৰ অধীনত ৰূপায়িত আঁচনিৰ দ্বাৰা ডিব্ৰুগড়, যোৰহাট আৰু পলাশবাৰী অঞ্চলৰ দহ লাখ লোক উপকৃত হ'ব।

আমি কেতবোৰ নতুন পদক্ষেপ গ্ৰহণ কৰিছো। ইয়াৰ ভিতৰত গ্ৰ
পৰিকল্পনা আৰু বান পানীৰ আগতীয়া জাননী দিয়াৰ বাবে S
Technology ৰ ব্যৱহাৰ, নদীৰ গৰাখহনীয়া প্ৰতিৰোধ কৰা ক
Kiaramat Tubular Sand Filled Mattress ৰ ব্যৱহাৰ, মথাউৰি নিম
Geo-tube ৰ ব্যৱহাৰ আৰু মথাউৰিৰ ভূমি সংৰক্ষণৰ বাবে Ve
grass ৰ ব্যৱহাৰ আদি। ভূমি পুনৰউদ্ধাৰ আৰু নিৰ্বাচিত অ
Dredging ৰ কামো হাতত লোৱা হৈছে। নিৰ্বাচনী ইস্তাহাৰত
প্ৰতিশ্ৰুতি অনুসৰি ডিব্ৰুগড়, শিৱসাগৰ আৰু গুৱাহাটী (LGBI Air
ত ভূমি পুনৰউদ্ধাৰ প্ৰকল্প ৰূপায়ণ কৰা হ'ব। অসমৰ বানপা
সমস্যাটো সমাধানৰ দিশত এনে আঁচনিসমূহে সুদূৰ প্ৰসাৰী প্ৰ
পেলাব।

আমাৰ জলসম্পদ পৰিচালনাৰ ওপৰত বিশে
বানপানী আৰু গৰাখহনীয় লাঘৱকৰণৰ অৰ্থে ৰাজ্য চৰকাৰ
পৰামৰ্শ দিবলৈ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ অন্তৰ্ভু
এখন জল আয়োগ গঠন কৰিবলৈ মই সিদ্ধান্ত লৈছো।

বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধ ব্যৱস্থাৰ
ৰূপায়ণৰ বাবে ২০১১-১২ বাৰ্ষিক পৰিকল্পনাত ৬৪৮.৮৭ কে
টকা ধাৰ্য কৰা হৈছে। মথাউৰিবোৰৰ নিয়মীয়া মেৰামতি অ
চোৱাচিতা কৰাৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত পুঁজিৰ পৰি
২৩ কোটিৰ পৰা ৫৩ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ৰাজি
পৰিকল্পনাটো এই উদ্দেশ্যে ৫ কোটি টকা ধাৰ্য কৰা হৈছে।
অধিগ্ৰহণৰ বাবে পৰিশোধ কৰিবলগীয়া ধনৰ ক্ষেত্ৰত পৰিক
বহিৰ্ভূত শিতানত অতিৰিক্ত ৩০ কোটি টকা ধাৰ্য কৰা হৈছে।

৩২। **ভূমি সংৰক্ষণ ঃ**

ভূমি আৰু জল পৰিচালনাৰ দিশত মোৰ চৰকা
বিভিন্ন আঁচনি ৰূপায়িত কৰি আহিছে। তেনে আঁচনিসমূহ হ
জলচ্ছেদ পৰিচালনা, নদী প্ৰশিক্ষণ, নদীৰ গৰাখহনীয়া নিয়
Cash Crop plantation আৰু স্থানান্তৰিত কৃষি পদ্ধতিৰ নিয়
আদি। জলচ্ছেদ পৰিচালনাৰ দিশত বিভিন্ন পৰ্যায়ৰ প্ৰশিক্ষণ আ



দক্ষতা বৃদ্ধিৰ আঁচনি গ্ৰহণ কৰাৰ লগতে আৰু শেহতীয়া প্ৰযুক্তিবিদ্যা সমূহ নিয়মীয়াকৈ প্ৰয়োগ কৰি অহা হৈছে।

এই দিশত প্ৰধানত গ্ৰহণ কৰা কৌশল সমূহত বতৰ পৰিবৰ্তন বিষয়ক অনুকুলন আঁচনি, ৰবৰ আৰু বাঁহ ৰোপন, 'ভেটিভাবচ' ব্যৱহাৰ, জলাশয় পুনৰ সক্ৰিয়কৰণ, বানাক্ৰান্ত অঞ্চলৰ নদী প্ৰকল্প আৰু সংহত জলচ্ছেদ পৰিচালনা প্ৰকল্প।

৩৩। **গড়কাপ্তানি ঃ**

ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ কাৰণে এটা উন্নত পথ যোগাযোগ ব্যৱস্থাৰ অতি আৱশ্যক। ভাৰত চৰকাৰ, বিশ্ব বেংক, নাবাৰ্ড, উত্তৰ-পূৱ পৰিষদ আৰু ৰাজ্যৰ নিজা উৎসৰ বিত্তীয় সাহায্যৰে ৰাজ্যখনত বহুসংখ্যক পথ উন্নয়ন আঁচনি ৰূপায়িত হৈ আছে।

ৰাজ্যখনত যোগাযোগ বিচ্ছিন্ন হৈ থকা পথৰ সংযোগীকৰণকে ধৰি ৰাজ্যখনৰ ঘাই পথ খণ্ডৰ সংহত উন্নয়ন সাধন কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ৰাজ্যখনত ২৮৪৮ কিঃমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৩১৩৪ কিঃ মিটাৰ ৰাজ্যিক ঘাইপথ আছে। এই পথসমূহক দুই অথবা অধিক লেনযুক্তলৈ উন্নত কৰিবলৈ পদক্ষেপ লোৱা হৈছে। এচ এ আৰ ডি পি এন ই আঁচনিৰ অধীনত ৰাজ্যিক ঘাইপথৰ ৭০০ কিঃ মিটাৰ পথৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে য'ত ৰাষ্ট্ৰীয় ঘাইপথৰ লগত জিলা সদৰক সংযোগী ১০ টা ৰাস্তা অন্তৰ্ভূক্ত হৈছে। অতিকে প্ৰয়োজনীয় ধলা-শদিয়া দলঙকে ধৰি ধলাৰ পৰা ইচলামপুৰলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য ইতিমধ্যে আৰম্ভ হৈছে। শিলচৰ, তিনিচুকীয়া, চাবুৱা, মাকুম, উত্তৰ লক্ষীমপুৰ ইত্যাদিৰ লেখীয়া প্ৰধান চহৰ সমূহত পথ সুৰক্ষা উন্নত কৰিবলৈ উপ-পথ নিৰ্মাণ কৰা হ'ব। পূৱ-পশ্চিম সংযোগী প্ৰকল্প (শ্ৰীৰামপুৰৰ পৰা শিলচৰলৈ), ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নগাঁও-ডিব্ৰুগড় খণ্ডৰ ৪ লেনযুক্ত পথ আৰু ইটানগৰলৈ ৪ লেনযুক্ত সংযোগী পথৰ সম্পূৰ্ণকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব। শিলচৰৰ পৰা গুৱাহাটীলৈ এটা বিকল্প পথৰো ব্যৱস্থা কৰা হ'ব।

প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাৰ অধীনত ১০ কিঃ মিটাৰ গ্ৰাম্য পথ ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে আৰু বাকী ৫৩৫০ কিঃ মিঃ পথৰ কাম ২০১৩ চনৰ মাৰ্চৰ ভিতৰত স কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে। বিশ্ব বেংকৰ পৰা পোৱা সাহায্যৰে এ এচ আৰ পিৰ অধীনত ৮০০ কিঃ মিঃ বা ঘাইপথৰ উন্নয়নৰ কাম হাতত লোৱা হৈছে। ইয়াৰ উপৰিও এ এচ আৰ আই পি (উত্তৰ-পূৰ্ব ৰাজ্যিক পথ বিনিয়োগ আঁ আঁচনিৰ অধীনত ২১৪ কিঃমিঃ ৰাজ্যিক ঘাইপথৰ উন্নয়নৰ হাতত লবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

ৰাজ্যখনত ২০০১ চনত থকা ৫০০০ কাঠৰ দ ভিতৰৰ ১৭৩৬ খন কাঠৰ দলং ইতিমধ্যে পকী দলঙ কৰা হৈ ১৩৭৩ খন পকী দলঙৰ নিৰ্মাণৰ কাম চলি আছে আৰু বাকী ২৩৪১ খন কাঠৰ দলঙো পকী দলঙ কৰা হ'ব।

গড়কাপ্তানি (গৃহ) শাখাই ২৩৪.৮৪ কোটি নিৰ্দ্ধাৰিত ব্যয়ত নতুন অসম বিধান সভা চৌহদৰ নিৰ্মাণ ইতিমধ্যে আৰম্ভ কৰিছে। ২০১৪ চনৰ ভিতৰত এই প্ৰকল্পৰ সম্পূৰ্ণ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে। বিভিন্ন চিকি মহাবিদ্যালয়, তাৰকাগৃহ আৰু অন্যান্য চৰকাৰী কাৰ্যালয়ৰ নি কাৰ্যৰ কাম হাতত লোৱা হৈছে। পুৰণি গৃহসমূহৰ মেৰামতিৰ ক কাজসমূহ কৰিবলৈও প্ৰস্তাৱ লোৱা হৈছে।

পথ, দলং আৰু গৃহসমূহৰ মেৰামতি কৰাটো নতুন নিৰ্মাণ কৰাৰ সমানেই গুৰুত্বপূৰ্ণ। পথ আৰু দলঙৰ মেৰাম কাৰণে ৪৪৮.৭২ কোটি টকা আগবঢ়োৱা হৈছে আৰু ২০১১- বৰ্ষৰ বাজেটত ৰাজহুৱা গৃহৰ মেৰামতিৰ বাবে ১৫.৬৪ কোটি আগবঢ়োৱা হৈছে।

৩৪। বিদ্যুৎ ঃ

বিগত দহ বছৰত উন্নয়ন আৰু অৰ্থনৈতিক কাম-কা গতি ত্বৰান্বিত হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত বিদ্যুতৰ চা যথেষ্ট বৃদ্ধি পাইছে। ৰাজ্যখনত প্ৰয়োজন হোৱা ১১০০ মেগা



বিদ্যুৎ শক্তিৰ চাহিদাৰ বিপৰীতে বৰ্তমানে থকা বিদ্যুৎ শক্তিৰ মুঠ পৰিমাণ হ'ল ৮০০ মেগাৱাট্। এই বিদ্যুৎ শক্তিখিনিয়ে ৰাজ্যৰ নিজা উৎপাদন প্ৰাপ্ত ২৬০ মেগাৱাট্ বিদ্যুৎ শক্তি আৰু ৭৮৯ মেগাৱাট্ বিদ্যুৎ আৱন্টৰ বিপৰীতে কেন্দ্ৰীয় খণ্ডৰ উৎপাদন কেন্দ্ৰৰ পৰা প্ৰকৃততে পোৱা ৫৪০ মেগাৱাট্ বিদ্যুৎ শক্তিক সামৰি লৈছে। এই বছৰ, এতিয়ালৈকে পৰ্যাপ্ত বৰষুণ নোহোৱাৰ বাবে জলবিদ্যুৎ শক্তিৰ কেন্দ্ৰ সমূহে ইয়াৰ প্ৰয়োজনীয় সম্পূৰ্ণ বিদ্যুৎ শক্তি উৎপাদন কৰিবলৈ সমৰ্থ হোৱা নাই। বিদ্যুতৰ চাহিদাৰ ক্ষেত্ৰত হোৱা এই ঘাটি উচ্চ নিৰিখত বাহিৰৰ পৰা ক্ৰয় কৰা বিদ্যুতৰ দ্বাৰা জোৰা মাৰিব লগা হৈছে।

২০১২ চনত দুটা কেন্দ্ৰীয় খণ্ডৰ প্ৰকল্প, যেনে - ত্ৰিপুৰাত থকা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ ৭২৬ মেগাৱাট্ শক্তি সম্পন্ন পালাটনা বিদ্যুৎ প্ৰকল্প আৰু বঙাইগাঁওত থকা এন টি পি চিৰ ৭৫০ মেগাৱাট্ শক্তি সম্পন্ন বঙাইগাঁও তাপ বিদ্যুৎ প্ৰকল্পৰ কাম কাজ আংশিকভাৱে আৰম্ভ হ'ব। প্ৰথম পৰ্যায়ত এই দুয়োটা প্ৰকল্পৰ পৰা ৰাজ্যৰ অংশ হ'ব ২৫০ মেগাৱাট্। ২০১৩ চনত এই দুয়োটা প্ৰকল্পৰ কাম সম্পূৰ্ণৰূপে আৰম্ভ হব আৰু এই দুয়োটা প্ৰকল্পৰ পৰা ৰাজ্যখনৰ সম্পূৰ্ণ অংশ ৬০০ মেগাৱাট্ বিদ্যুৎ শক্তি লাভ কৰাৰ লগে লগে ইয়াৰ দ্বাৰা ৰাজ্যখনৰ বিদ্যুতৰ চাহিদা যথেষ্ট পূৰণ কৰাটো সম্ভৱ হ'ব। নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পৰ পৰা অসমে ২০৮ মেগাৱাট্ বিদ্যুৎ পাব বুলি আমাক কেন্দ্ৰই আশ্বাস দিছে। আমি এই প্ৰকল্পৰ পৰা অসমলৈ ৬০০ মেগাৱাট বিদ্যুৎ যোগানৰ দাবী কৰিছো।

Assam Power Generation Company Limited (APGCL)ৰ অধীনত ৩৭ মেগাৱাট্ শক্তি সম্পন্ন লাকুৱা ৱেষ্ট হিত প্ৰজেক্ট - ৰ কাম কাজ অহা এমাহৰ ভিতৰত আৰম্ভ হব। কেন্দ্ৰীয় বিদ্যুৎ কৰ্তৃপক্ষৰ পৰা কাৰিকৰী অনুমতি পোৱাৰ পাচত ২০১২ ৰ পৰা ১৫০ মেগাৱাট্ নিম্ন কপিলী জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। আমি বেচৰকাৰী পক্ষকো ৫ টা ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প ৰূপায়ণৰ অনুমতি দিছো। ইতিমধ্যে, ৪ মেগাৱাট্ৰ সম্পামতী ক্ষুদ্ৰ জলবিদ্যুৎ আঁচনিৰ সেৱা আৰম্ভ কৰা হৈছে।

সংবহন আৰু বিতৰণ সংক্ৰান্তত এ পি ডি চি লোকচানৰ পৰিমাণ শতকৰা ২৫ ৰ ওচৰে পাজৰে আছে। বছৰত সংবহন আৰু বিতৰণৰ এই লোকচানৰ পৰিমাণটো ২০ লৈ কমোৱাৰ বাবে আৰু গ্ৰাহকলৈ যোগান ধৰা বিদ্যুতৰ উন্নত কৰাৰ বাবে লগতে ৰাজ্যখনৰ সংবহন আৰু বিতৰণ ব্য শক্তিশালী কৰাৰ বাবে অহা ৩ বছৰত আমি ১০০০ কোটি ব্যৱস্থা কৰাৰ সিদ্ধান্ত লৈছো। ২০১৪ চনৰ ভিতৰত সংবহন বিতৰণৰ শক্তি ১৬০০ মেগাৱাট্‌ৰ ওচৰে পাজৰে থকাকৈ বৃদ্ধি বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে এছীয় উন্নয়ন বেংকৰ নিযুত ডলাৰ আৰু অসম চৰকাৰৰ পৰা ১২০ নিযুত ডলাৰৰ লৈ ৩২০ নিযুত ডলাৰৰ (১৪৪০ কোটি টকা) এখন আঁচনি কৰি আছে।

বৰ্তমানে চহৰ অঞ্চলৰ শতকৰা ৭৫ আৰু গ্ৰাম শতকৰা ২৫ টা পৰিয়ালে বিদ্যুতৰ যোগান পাই আছে। একাদশ বছৰীয়া পৰিকল্পনাৰ অধীনত ৰাজ্য চৰকাৰে ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনিখন বহুলভাৱে ৰূপায়ণ কৰিবলৈ লৈছে। পৰ্যায়ত ইয়াৰ বাবে ২০১৬ কোটি টকাৰ মঞ্জুৰী দিয়া হৈছে। নথকা ৮৪০৬ খন গাঁৱলৈ বিজুলী সংযোগ, ইতিমধ্যে বি সংযোগ দিয়া ১৩৩৮০ খন গাঁৱৰ বিজুলী ব্যৱস্থা শক্তিশালী আৰু ১০.২৩ লাখ দাৰিদ্ৰ সীমাৰ তলৰ পৰিয়াললৈ বি সংযোগৰ কাম হাতত লোৱা হৈছিল। ওপৰোক্ত লক্ষ্যৰ বিপ ৬৮৯২ খন বিজুলী নথকা গাঁৱলৈ বিজুলী সংযোগ, ১০৮৭২ গাঁৱৰ বিজুলী ব্যৱস্থা শক্তিশালীকৰণ আৰু ৬.২৫ লাখ সীমাৰ তলৰ পৰিয়ালক বিজুলী সংযোগ দিয়া হৈছে।

এই দিশৰ সামগ্ৰীক সাফল্য ৭৫ শতাংশৰ ও পাজৰে। বাকী থকা গাঁও বোৰৰ কাম কাজ খিনি ২০১২ চনৰ মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা আছে।

ৰাজীৱ গান্ধী গ্ৰামীন বৈদ্যুতিকৰণ আঁচনিৰ অ সকলোবোৰ গাঁৱকে বিদ্যুৎ সংযোগৰ বাবে সামৰি লোৱাৰ ক্ষে বৰ্তমান হাতত থকা পুঁজিখিনি পৰ্য্যাপ্ত নহয়। গতিকে সকলো



স্থলকে যাতে বিদ্যুত সংযোগেৰে সামৰি লব পাৰি সেই উদ্দেশ্যে সংশোধিত যোজনা প্ৰতিবেদন প্ৰস্তুত কৰি উলিওৱা হৈছে আৰু ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰনালয়ৰ পৰা ৮৪০.৪৭ কোটি টকাৰ এক অতিৰিক্ত পুঁজি বিচৰা হৈছে। এই বিত্তীয় বৰ্ষৰ ভিতৰত উক্ত অতিৰিক্ত পুঁজি পোৱাৰ আশা কৰা হৈছে। ২০১২ চনত ৰাজীৱগান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি সম্পূৰ্ণ কৰাৰ আশা কৰা হৈছে আৰু তেনেহ্লে বিজুলী সংযোগ পোৱা গাঁৱৰ পৰিয়ালৰ সংখ্যা ৫০ শতাংশলৈ বৃদ্ধি হ'ব। চলিত বৰ্ষৰ ভিতৰতে ৮৭১.২৪ কোটি টকা ব্যয়ৰে পুণৰ গঠিত বিস্তীৰ্ণ বিদ্যুৎ উন্নয়ন আৰু সংস্কাৰ আঁচনিৰ অধীনত ৬৭ খন চহৰত তথ্য প্ৰযুক্তি কৰ্মৰ ৰূপায়ণ আৰু বিতৰণ পৰিকাঠামোৰ কাম শক্তিশালী কৰা হ'ব।

২০১১-১২ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাজেটত বহিঃ সাহায্য যোজনাৰ ২৫০ কোটিকৈ ধৰি ৫১০.৩৭ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰোপৰি বানিজ্য বিকাশ পুঁজিৰ অধীনত অতিৰিক্ত আৰু ৪৫০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

৩৫। খনি আৰু খনিজ সম্পদঃ

সমগ্ৰ ৰাজ্যতে পেট্ৰ'লিয়ামৰ উদঘাটন আৰু আঁহৰণৰ কাম কাজ সমূহ ব্যাপক ৰূপত চলাই থকা হৈছে। কয়লা খনিৰ উদঘাটন আৰু গ্ৰেনাইট, চূণ শিল, চিনামাটি, গ্লাচ-চেণ্ড, লোৰ আকৰ, কোৱাৰ্টজ্ ফিল্ডস্পাৰ ডিপ'জিটৰ উদঘাটনৰ কাম হাতত লোৱা হৈছে। পি পি পিৰ আৰ্হিত দুটা বৃহৎ চিমেন্ট উদ্যোগ শীঘ্ৰে স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

২০১১-১২ বৰ্ষত ৰয়েল্টি সংগ্ৰহৰ পৰিমাণ ১৭৪০ কোটি টকা হবগৈ বুলি আশা কৰা হৈছে।

৩৬। উদ্যোগ আৰু বাণিজ্য ঃ

ৰাজ্যখনৰ ঔদ্যোগীক উৎপাদন বৃদ্ধি কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। যুৱ কৰ্ম শক্তিক নিয়োজিত কৰিবলৈ ঔদ্যোগীক খণ্ডৰ বিকাশ অপৰিহাৰ্য।

নিয়োজনৰ বিভিন্ন শাখাত প্ৰশিক্ষণ প্ৰদান কৰাৰ ক খণ্ড পৰ্যায়ত বহুমুখী আন্তঃগাথনি স্থাপন কৰিবলৈ ২০১১-১২ ব এক গুৰুত্বপূৰ্ণ আঁচনি প্ৰাৰম্ভণ কৰা হ'ব। দ্বাদশ পৰিকল্প সময়ছোৱাত সকলোবোৰ খণ্ডকে সামৰি ২১৯ টা উদ্যোগ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব। বৰ্তমানে থকা ১৬ টা ইণ্ডাষ্ট্ৰিয় ইষ্টেট, ১৭ টা ঔদ্যোগীক এলেকা আৰু ১১ টা বিকাশ কে উন্নীতকৰণ পৰ্যায়ক্ৰমে কৰা হব। গ্ৰামাঞ্চলত উপাৰ্জন সৃষ্টি জ নিয়োজনৰ অৰ্থে স্থানীয় পৰম্পৰাগত উদ্যোগসহ মজলীয়া, গু আৰু সুক্ষ্ম উদ্যোগসমূহৰ উৎকৰ্ষ সাধন কৰা হব। অসমৰ ক্ষুদ্ৰ চ খেতিয়ক সকলৰ উন্নয়ন আৰু কল্যানৰ বাবে এক উপকৰ ব্যৱ নীতি সৃষ্টি কৰিবলৈ ১৫ কোটি টকা বাজেটত ধাৰ্য কৰা হৈছে।

ৰাজ্যখনত উৎপাদিত চাহৰ গুণগত মানদণ্ড উন্নীতকৰ উৎসাহিত কৰিবলৈ অত্যাধুনিক আন্তঃগাথনিসহ এখন চাহ উদ্যা স্থাপন কৰিবলৈ মই প্ৰস্তাৱ কৰো। নলবাৰীৰ নাথকুছিত বৃহৎ খা উদ্যান স্থাপনৰ কাম আগবাঢ়িছে। ঠিক তেনেদৰে, তিনিচুকীয়া জিলা গেলা পুখুৰীত প্লাষ্টিক উদ্যান, কামৰূপ জিলাৰ ছয়গাঁৱত বাঁহ উদ্যা আৰু গুৱাহাটীত এয়াৰ কাৰ্গো কমপ্লেক্স স্থাপন কৰিবলৈও পদক্ষে লৈ থকা হৈছে। ৰাজ্যখনত এখন মৰাপাট উদ্যান, কল উদ্যান, সু উদ্যান, খাদ্য প্ৰস্তুতকৰণ পাম, ফাৰ্মাচী হাব, কৃষি হাব, কৃষিজা সামগ্ৰী প্ৰস্তুতকৰণ খণ্ড আৰু ৰাসায়নিক সাৰ স্থাপন কৰিবলৈ প্ৰস্তা ৰখা হৈছে। যোৰহাটত ৰাষ্ট্ৰীয় আৰ্হি প্ৰতিষ্ঠান, শিৱসাগৰ পেট্ৰলিয়াম প্ৰযুক্তিৰ ৰাজীৱ গান্ধী প্ৰতিষ্ঠান আৰু গুৱাহাটীত ফে প্ৰযুক্তিৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান শীঘ্ৰে স্থাপন কৰা হ'ব।

বিভিন্ন কৃষিজাত আৰু উদ্যান শস্যৰ উৎপাদিত সামগ্ৰী সমূহৰ আনুসঙ্গিক কাম কাজ সমূহক সহায় কৰিবলৈ গ্ৰামাঞ্চ সমূহত বিপনণৰ আন্তঃগাথনি সৃষ্টি কৰাৰ ওপৰত জোৰ দিয়া হ'ব। এই বৰ্ষত এই উদ্দেশ্যে ১৬.২০ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে।

২০১১-১২ বৰ্ষত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডলৈ (অসম গেছ ক্ৰেকাৰ প্ৰকল্প) ৰাজ্য চৰকাৰৰ ইকুইটি



ৰৰঙনি হিচাপে ২০ কোটি টকা মোকলাই দিবলৈ মই প্ৰস্তাৱ কৰিছো যাতে এই প্ৰকল্পটো সময়মতে সম্পূৰ্ণ হয়।

মুখ্যমন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনি, উদ্যোগজ্যোতি আঁচনি আৰু অসম বিকাশ যোজনাৰ লেখীয়া মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজৰ অধীনত বৰ্তমানে থকা আঁচনি সমূহৰ একত্ৰীকৰণৰ দ্বাৰা উদ্যোগীসকলক সাহায্য প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীৰ স্বনিয়োজন অভিযান নামেৰে এখন নতুন আঁচনি দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত প্ৰাৰম্ভন কৰিবলৈও মই প্ৰস্তাৱ ৰাখিছো।

এই খণ্ডৰ বাবে ৰাজ্যিক পৰিকল্পনাৰ অধীনত ১১১ কোটি টকা ধাৰ্য কৰা হৈছে।

**৩৭। হস্ত তাঁত বস্ত্ৰ আৰু ৰেচম ঃ**

গ্ৰামাঞ্চলৰ এক বুজন সংখ্যক লোক, বিশেষকৈ মহিলা সকলক জীৱিকা আৰু অতিৰিক্ত উপাৰ্জনৰ সুবিধা প্ৰদান কৰাৰ দ্বাৰা পাট সূঁতা আৰু হস্ত-তাঁতে গ্ৰাম্য অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বৰ্তমান অসমে দেশৰ ভিতৰতে ৯৯ শতাংশ মুগা সূঁতা আৰু ৬৫ শতাংশ এড়ি সূঁতা উৎপাদন কৰি আছে। যিখিনিৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত ইয়াৰ এক ভাল চাহিদা আছে। প্ৰতিযোগিতামূলক বজাৰত এটা ডাঙৰ অংশ দখল কৰাৰ বাবে সুলভ আৰু গুণগত সামগ্ৰী উৎপাদন কৰাৰ বাবে প্ৰচেষ্টা হাতত লোৱা হ'ব। উচ্চ মানবিশিষ্ট হস্ততাঁত সামগ্ৰীৰ উৎপাদন আৰু এইবোৰ প্ৰস্তুতকৰণৰ প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দিয়া হ'ব। এড়ি-মুগা আৰু পাট সূঁতাৰ উৎপাদন বৃদ্ধি কৰাৰ অৰ্থে এটা সোণালী পাট-সূঁতা প্ৰকল্পৰ বাবে এক বিশেষ পুঁজি সৃষ্টি কৰা হ'ব। এই প্ৰকল্পটোক এক অভিযান হিচাবে লোৱা হ'ব। অসমৰ এড়ি আৰু মুগা সূতাৰ বাবে এটা 'ব্ৰেণ্ডনেম' কেতবোৰ বিশেষ সামগ্ৰী সৃষ্টি কৰাৰ বাবে এটা প্ৰকল্প হাতত লবলৈ প্ৰস্তাৱ কৰা হৈছে। অহা দুবছৰত গামোছাৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে পদক্ষেপ হাতত লোৱা হ'ব। সূঁতা পকোৱা লোক, সূতা কটা লোক আৰু বোৱনী সকললৈ উচ্চ মূল্যৰ উপাৰ্জন সুনিশ্চিত কৰাৰ অৰ্থে প্ৰযুক্তি আৰু দক্ষতাৰ উন্নীতকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব।

এই খণ্ডৰ বাবে ৰাজ্যিক পৰিকল্পনাৰ অধীনত ২৮ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

৩৮। তথ্য প্ৰযুক্তি ঃ

অসমক দেশৰ ৰাষ্ট্ৰীয় ই-গৰ্ভনেন্স প্লেনৰ অৰ্ন্তভূক্ত ক হৈছে আৰু সেয়েহে দিশপুৰত থকা ৰাজ্যিক মুখ্য কাৰ্যালয়ৰ সৈ প্ৰতিটো উন্নয়ন খণ্ড, মহকুমা আৰু জিলা মুখ্য কাৰ্যালয়ক সংযো কৰাৰ অৰ্থে আসাম ষ্টেট ৱাইদ এৰিয়া নেটৱৰ্ক স্থাপন কৰিব লোৱা হৈছে। ৰাজ্যখনৰ গ্ৰামাঞ্চল আৰু দূৰৱৰ্ত্তী এলেকা সমূ বসবাস কৰা লোক সকললৈ ৩৭৬০ টা সাধাৰণ সেৱা কেন্দ্ৰই সে আগবঢ়াই আছে। চৰকাৰী বিদ্যালয় সমূহত ৰূপায়ণ কৰি থকা ৰাজী গান্ধী কম্পিউটাৰ স্বাক্ষৰতা আঁচনিখনে প্ৰতি বছৰে দহ লাখতো অধিক ছাত্ৰ-ছাত্ৰীক প্ৰত্যক্ষ ভাবে উপকৃত কৰিছে।

ৰাজ্যখনৰ বাহিৰৰ বিনিয়োগকাৰী সকলক আকৰ্ষি কৰিবলৈ ২০০৯ চনৰ তথ্য প্ৰযুক্তি নীতি ঘোষণা কৰা হৈছে। মে চৰকাৰে কৃষক, কাৰু-শিল্পী, মহিলা আৰু যুৱক-যুৱতী সকল কল্যাণৰ অৰ্থে গ্ৰামাঞ্চলত তথ্য প্ৰযুক্তি প্ৰসাৰণ ঘটোৱাৰ বাবে এ অভিযান সৃষ্টি কৰিব। উপযুক্ত সেৱা আগবঢ়োৱাৰ বাবে অস সচিবালয়ৰ আসাম অন-লাইন পৰ্টেল এণ্ড পেপাৰ লেচ অফি প্ৰজেক্টে সকলোবোৰ চৰকাৰী সেৱাকে কেৱল এখন মাত্ৰ প্লেটফৰ্মলৈ অনাৰ প্ৰতি লক্ষ্য স্থিৰ কৰিছে। অসম সচিবালয়ত অতি সোনকালে পোনপটীয়া ই-ফাইলিং আৰু অন-লাইন ৱৰ্কফ্লৰ ব্যৱস্থা গঢ়ি তুলি পৰা হব বুলি আশা কৰা হৈছে।

ৰাজ্যখনত তথ্য প্ৰযুক্তি প্ৰসাৰণৰ ক্ষেত্ৰত আসাম ন'লেজ নেটৱৰ্ক, আসাম ৰুৰেল লাইভলিহুদ আই চি টি ফ্ৰেমৱৰ্ক গুৱাহাটীত ইন্টাৰনেচনেল ইনটাৰনেট গেটৱে আৰু আসাম ন'লেজ ক্লাউডে এক গুৰুত্বপূৰ্ণ ভুমিকা লব বুলি আশা কৰা হৈছে।

বাৰ্ষিক পৰিকল্পনা ২০১১-১২ ৰ অধীনত এই খণ্ডৰ বাবে ৭১.৩৯ কোটি টকা প্ৰদান কৰা হৈছে।



৩৯। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ঃ

ৰাজ্যখনত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নয়নৰ বাবে আমি অগ্ৰাধিকাৰ প্ৰদান কৰিছো। প্ৰাথমিকৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে বিজ্ঞান শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হ'ব। ছাত্ৰ সমাজৰ মাজত বিজ্ঞান শিক্ষাৰ জনপ্ৰিয়তা অনাৰ বাবে ছাত্ৰ, শিক্ষক আৰু অভিভাৱকক সাঙুৰি বিজ্ঞান যাত্ৰা অনুষ্ঠিত কৰা হৈছে। ৰাজ্যখনত এখন বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয় স্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। কম দিনৰ ভিতৰতে গুৱাহাটীত এখন বিজ্ঞান নগৰী প্ৰতিষ্ঠা কৰা হ'ব আৰু গুৱাহাটীৰ জৈৱ প্ৰযুক্তি উদ্যান স্থাপনৰ কাম সোনকালে সম্পন্ন কৰা হ'ব। যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে আৰু অনতিপলমেই দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। কোকৰাঝাৰ, নলবাৰী আৰু উত্তৰ লক্ষীমপুৰত আন তিনিটা তাৰকা গৃহ আৰু বিজ্ঞান কেন্দ্ৰ স্থাপনৰ কাম চলি আছে। ৰাজ্যৰ ২১৯ টা উন্নয়ন খণ্ডৰ সকলোবোৰতে স্থাপিত ২১৯ টা আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰৰ দ্বাৰা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক জনপ্ৰিয় কৰি তোলা হৈছে।

৪০। নগৰ উন্নয়ন ঃ

নগৰীয়া আন্তঃগাঁথনি আৰু সেৱা সমূহ শক্তিশালী কৰাৰ বাবে আমি কেন্দ্ৰীয় সাহায্য আৰু ৰাজ্যখনৰ নিজা সম্পদৰ দ্বাৰা বিভিন্ন আঁচনি হাতত লৈছো। সৰু আৰু মজলীয়া নগৰৰ বাবে নগৰীয়া আন্তঃগাঁথনি উন্নয়ন আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে।এন এল চি পি আৰ আৰু বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰণালয় তথা বিভাগসমূহে উত্তৰ পূৰ্বাঞ্চলৰ বাবে আচুতীয়াকৈ ৰখা ১০ শতাংশ কেন্দ্ৰীয় পুঁজিৰ পৰা বহুতো আঁচনিৰ বাবে পুঁজি যোগান ধৰা হৈছে।

২০১১-১২ বিত্তীয় বৰ্ষত আন ১০ খন নগৰৰ মাষ্টাৰ প্লেন প্ৰস্তুত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। এই মাষ্টাৰ পেন সমূহৰ ভিত্তিত ৰাজ্যত সেউজীয়া আৰু ধুনীয়া নগৰী গঢ়ি তোলাৰ উদ্যোগ লোৱা হ'ব। সকলো নগৰতে পথ সমূহৰ পকীকৰণ,

বৈজ্ঞানিক ভিত্তিত নলা-নৰ্দমা স্থাপন, খোৱাপানীৰ ব্যৱস্থা, ব... পথ, আধুনিক আস্থান, নতুন বজাৰ আৰু ষ্ট্ৰীট লাইটৰ ব্যৱ... নিশ্চিত কৰা হ'ব।

স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনাৰ অধীনত নগ... নিবনুৱা সকলক লাভজনক কৰ্ম সংস্থাপন দিয়া হ'ব। অসম ৰাজি... গৃহ নিৰ্মাণ পৰিষদ আৰু অসম নগৰ পানী যোগান আৰু পয় প্ৰণা... পৰিষদে ক্ৰমে বিভিন্ন গৃহ নিৰ্মাণ আৰু পানী যোগান আঁচনি সমূ... ৰূপায়ণ কৰিব। আৰ্থিক ভাবে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ বাবে গৃ... নিৰ্মাণ পৰিষদে ৫৯৬ টা ইউনিট স্থাপনৰ লক্ষ্যেৰে জনতা গৃহনিৰ্ম... আঁচনিখন ৰূপায়ণ কৰি আছে। তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰে... কৰ্মচাৰীসকলৰ বাবে ভাড়া লব পৰা গৃহ নিৰ্মাণ আঁচনি ৰূপায়ণ ক... থকা হৈছে।

নগৰীয়া স্থানীয় নিকায় সমূহত জাৱৰ জোঠৰ নিষ্কাষ... ব্যৱস্থাপনা উন্নত কৰাৰ বাবে অসম বিকাশ যোজনাৰ অধীন... পদক্ষেপ হাতত লোৱা হৈছে। সমূহীয়া শৌচাগাৰ নিৰ্মাণ, সমাধি স্থ... সমূহৰ উন্নতিকৰণ আৰু পথ আৰু নলা নৰ্দমাবোৰ চাফা কৰাৰ বাবে... উন্নত কাৰিকৰী পদ্ধতি প্ৰয়োগ কৰিবৰ্লৈ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

২০১১-১২ বাৰ্ষিক পৰিকল্পনাত এই শিতানৰ বাবে... ১৬০ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে।

৪১। **গুৱাহাটী উন্নয়ন ঃ**

মোৰ চৰকাৰে গুৱাহাটীত খোৱা পানীৰ যোগান, জাৱৰ জোঠৰ নিষ্কাষণৰ ব্যৱস্থাপনা, বস্তি অঞ্চলৰ আৱাস, বহুমহলীয়া কাৰ পাৰ্কিং আৰু এটা ব্যাপক পয়-প্ৰণালী ব্যৱস্থা স্থাপন কৰিবলৈ কিছুসংখ্যক বৃহৎ প্ৰকল্প হাতত লৈছে। ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰত এটা বাছ ৰেপিদ ট্ৰেনজিত চিষ্টেম সহ দক্ষিণ গুৱাহাটী (পূৱ) পানী যোগান আঁচনি আৰু এটা পয় প্ৰণালী প্ৰকল্প হাতত লোৱাৰ বাবে এচিয়ান ডেভেলপ্‌মেন্ট বেংকৰ লগত এক চুক্তি... স্বাক্ষৰ কৰাৰ বাবে প্ৰক্ৰিয়া আৰম্ভ কৰিছে।



জাপান আৰ্ন্তজাতিক কো'অপাৰেচন সংস্থাৰ অৰ্থ সাহায্যত ১৪.৫০ কোটি টকা ব্যয়ৰে দক্ষিন (কেন্দ্ৰীয়) গুৱাহাটীৰ বাবে খোৱা পানীৰ যোগান আঁচনিৰ কাম ৰূপায়ণ কৰি থকা হৈছে। চলিত বিত্তীয় বৰ্ষত জৱাহৰলাল নেহৰু নগৰীয়া নৱীকৰণ অভিযানৰ অধীনত দক্ষিন (পশ্চিম) গুৱাহাটী পানী যোগান আঁচনিখন সম্পূৰ্ণ কৰিবলৈ বিচৰা হৈছে। আঁচনিখনে গুৱাহাটীৰ ভৰলুমুখৰ পৰা বিমান বন্দৰলৈকে বসবাস নাগৰিক সকললৈ খোৱাপানীৰ যোগান উপলব্ধ কৰিব। গুৱাহাটীৰ সকলোবোৰ পানীযোগান আৰু পয় প্ৰণালী একেলগে সামৰাৰ উদ্দেশ্যে গুৱাহাটী জল পৰিষদক মোৰ চৰকাৰে কাৰ্যক্ষম কৰি তুলিব। নগৰৰ দুখীয়া লোক সকলৰ বাবে ১০৮.৪৪ কোটি টকা ব্যয়ৰে ২২৬০ টা আৱাস গৃহ নিৰ্মণৰ কাম আগবাঢ়িছে। ইতিমধ্যে ৩৫২ টা আৱাস গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু এই সমূহ হিতাধিকাৰী সকলক হস্তান্তৰৰ বাবে সাজু কৰি তোলা হৈছে।

২০১১-১২ বৰ্ষৰ গুৱাহাটী উন্নয়ন বিভাগলৈ আবন্টন কৰা ধনৰ পৰিমাণ হ'ল ৫৯০ কোটি টকা।

৪২। পৰিবেশ আৰু বন ঃ

বহুতো সংখ্যক বনানীকৰণৰ আঁচনি হাতত লোৱা ঔষধি আৰু সুগন্ধীযুক্ত গছ পুলি ৰোপন, বন্যপ্ৰাণী আইনৰ সংৰক্ষণ নিশ্চিত ৰূপায়ণ, বনকৰ্মীৰ আধুনিকীকৰণ তথা শক্তিশালী কৰণৰ দ্বাৰা ৰাজ্যখনৰ বন আৰু ইয়াৰ সেউজ আৱৰণৰ সুৰক্ষিত কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। বিশ্ব বেংকৰ অধীনত বহিঃসাহায্যপ্ৰাপ্ত প্ৰাকৃতিক সম্পদ পৰিচালনা আৰু সংহত জীৱিকা প্ৰকল্পটো ৯ টা সংমণ্ডলৰ অন্তৰ্ভুক্ত কৰিবলৈ ইয়াৰ পৰিষৰ বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰিও ফৰাচী উন্নয়নী সংস্থাৰ পৰা পোৱা বিত্তীয় সাহায্যৰে অসমৰ চহকী জৈৱ বিবিধতাক সুৰক্ষিত কৰিবলৈ অসম জৈৱ বিচিত্ৰতা সংৰক্ষণ আৰু বহিঃ সাহায্য প্ৰাপ্ত প্ৰকল্প ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। অসমৰ বন প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু ব্যাঘ্ৰ প্ৰকল্প, হস্তী প্ৰকল্প ইত্যাদিৰ লেখীয়া বিভিন্ন বন্যপ্ৰানী এলেকা সমূহৰ উন্নয়নৰ বাবে ২০১১-১২ বৰ্ষত ভাৰত চৰকাৰৰ পৰা অতিৰিক্ত পুঁজি লাভ কৰিম।

৪৩। পৰ্য্যটন ঃ

পৰ্য্যটন খণ্ডটোত উপাৰ্জন আৰু নিযুক্তিৰ প্ৰচুৰ সম্ভ আছে। ৰাজ্যখনত যথোপযুক্ত বুনিয়াদ এটা গঢ়ি তোলাৰ ওপ আমি যথোচিত গুৰুত্ব প্ৰদান কৰি আহিছো। পৰ্যটন চাৰ্কিট উন্ন গন্তব্য স্থল উন্নয়ন, ৰাষ্টাৰ কাষৰ সা-সুবিধা, পৰ্য্যটক অতিথি গৃহ, পৰ্য্যটন পৰিবেশ উন্নয়ন ইত্যাদি কামৰ বাবে কেইবা আঁচনি গ্ৰহণ কৰা হৈছে। অসম পৰ্য্যাটনৰ প্ৰচাৰ আৰু ব অভিযানৰ তীব্ৰ অন্বেষণ চলি আছে। ঘৰুৱা আৰু ৰাষ্ট্ৰীয় টি চেনেল বোৰৰ জৰিয়তে শীঘ্ৰে ব্যাপক গন মাধ্যম অভিযান চলে হ'ব। অসমক এক আঞ্চলিক পৰ্য্যটন থলি হিচাপে গঢ়ি তো বাবে চুবুৰীয়া উত্তৰ পূৰ্বৰ ৰাজ্য কেওখন অৰু ভুটান, নেপা বাংলাদেশ আৰু থাইলেণ্ডৰ দৰে দেশ বোৰৰ সৈতে সংযোগ স্থাপ প্ৰচেষ্টা চলি আছে। অসম, বিহাৰ, উৰিষ্যা, পশ্চিমবংগ আ চিকিমক সংযোগ কৰি এটা পূৰ্ব ভাৰত চাৰ্কিট সৃষ্টি কৰাৰ সম্ভ বিচাৰ বিবেচনা চলি আছে। যোৰহাটত এখন হোটেল পৰিচাল আৰু প্ৰযুক্তি যোগান প্ৰতিষ্ঠান স্থাপনৰ বাবে পদক্ষেপ আৰম্ভ হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত শীঘ্ৰে এক আটকধুনীয়া লাগজাৰি ক্ৰু লাইনাৰ চলোৱাৰ ব্যৱস্থা কৰা হৈছে। শীঘ্ৰে সকলোবোৰ জিলা পৰ্য্যটক সকলে চাব পৰাকৈ গ্ৰাম্য জীৱনশৈলী, সংস্কৃতি, হস্তশি আদিৰ প্ৰদৰ্শনৰ বাবে মহিলা সকলৰ কাৰণে এখন উদগনিমূ গ্ৰাম্য পৰ্য্যটন আঁচনিৰ প্ৰবৰ্ত্তন কৰা হ'ব। স্ব-নিয়োজন সৃষ্টি আঁচ গুৱাহাটী নগৰ পৰিভ্ৰমণ, দিশ নিৰ্ণয়ক ভ্ৰমণ আৰু গৃহীত থকা সম সা-সুবিধা আদিবোৰ আঁচনিত জোৰ দিয়া হৰ অৰু এইবোৰত স্থানী শিক্ষিত যুৱক যুৱতীক জড়িত কৰা হ'ব।

এই খণ্ডৰ বাবে বাৰ্ষিক পৰিকল্পনাত ৩৬.১৫ কো টকাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ সৈতে চাৰ্কিট উন্নয়ন আৰু অন্যা বৃহৎ আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা অহা আৰ্থি সাহায্যও যোগ হ'ব।



৪৪। পৰিবহনঃ-

মই দিয়া অগ্ৰাধিকাৰ সমূহৰ ভিতৰত ৰাজ্যখনৰ যাত্ৰী সকললৈ এক মিতব্যয়ী, দক্ষ আৰু বন্ধুত্বপূৰ্ণ পৰিবহনৰ ব্যৱস্থা আগবঢ়োৱাটো অন্যতম। অহা পাঁচ বছৰত আমি গুৰুত্ব দিম সুচল গ্ৰাম্য ৰাজহুৱা পৰিবহন ব্যৱস্থাৰ ওপৰত। ৰেপিড্ ট্ৰেনজিত বাছ কৰিড'ৰৰ জৰিয়তে গুৱাহাটীত ৰাজহুৱা পৰিবহনৰ সু সংবদ্ধকৰণ কৰা হ'ব। গুৱাহাটী মহানগৰীত চি এন জি ইঞ্জিনযুক্ত সেউজীয়া টেক্সি চলোৱাৰ ব্যৱস্থা কৰা হব। ৰাজ্য খনৰ প্ৰধান চহৰ বোৰত নগৰ আৰু উপকণ্ঠ বাছ সেৱা উপলব্ধ কৰা হ'ব। বিশেষ পৰ্যটক পৰিবহনৰ সা-সুবিধাও দিয়া হ'ব। আন্তঃ ৰাজ্যিক ট্ৰাক টৰ্মিনাচ স্থাপন কৰা হ'ব। যোৱা বছৰ মুখ্য মন্ত্ৰীৰ গ্ৰাম্য সংযোগ আঁচনিৰ ১০০ খন বাছ চলোৱা হৈছিল। জে এন এন ইউ আৰ এমৰ অধীনত গুৱাহাটী মহানগৰীত ১৪৪ খন বাছৰ চলাচল হৈছিল। গ্ৰাম্য সংযোগীকৰণৰ বাবে বাছ সংগ্ৰহৰ কাৰণে ২০১১-১২ চনৰ বাৰ্ষিক পৰিকল্পনাত ৫০.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। আস্থান ভৱন, চোতাল, যাত্ৰী নিবাস আদিৰ গাঁথনিগত উন্নয়নৰ কাম হাতত লোৱা হ'ব। গাড়ীৰ পঞ্জীয়ণ আৰু অনুজ্ঞা পত্ৰ প্ৰদান পদ্ধতিৰ কম্পিউটাৰভুক্ত কৰণ প্ৰক্ৰিয়াটো উন্নীত কৰা হৈছে। পঞ্জীয়ণ, অনুজ্ঞাপত্ৰ আৰু অনুমতি পত্ৰ প্ৰদান পদ্ধতিটোক অ'ন-লাইন ব্যৱস্থাৰে সামৰিলোৱাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰা হ'ব। জন-সাধাৰণৰ মাজত পথ নিৰাপত্তাৰ ব্যৱস্থাৱলী সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে এখন পথ নিৰাপত্তা নিয়ন্ত্ৰক কৰ্তৃপক্ষ গঠন কৰা হ'ব। ২০১১-১২ চনৰ ভিতৰত ডিব্ৰুগড়, যোৰহাট আৰু গুৱাহাটীত বিমান ঘাটিৰ বাবে ভূমি অধিগ্ৰহণ কৰা হব। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত ১২২ টা ফেৰি সেৱা চলি আছে। নৌকা বিহাৰৰ সুবিধা আৰু ওপঙা ভোজনালয় স্থাপনেৰে নদী পৰ্যটন উন্নিত কৰা হ'ব। বিভিন্ন ধৰণৰ জাহাজ/নাও আদিৰ ৰূপান্তৰ কৰণ/ নবীকৰণ আদিকে ধৰি নদী পৰিবহনৰ আটাইবোৰ চলন্ত আঁচনিয়েই এই বছৰৰ ভিতৰতে সম্পূৰ্ণ হ'ব।

৪৫।          সাধাৰণ প্ৰশাসন ঃ

ক'লকাতাত এটা অতিৰিক্ত অসম ভৱন তথা ছাত্ৰাৱাসৰ বাহিৰেও বাংগালোৰ, ভেলোৰ আৰু চেন্নাইত ভৱন, শ্বিলঙত এটা বহুমহলীয়া অসম ভৱন নিৰ্মাণৰ কাৰণে মঞ্জুৰ কৰা হৈছে। নতুন দিল্লীৰ পুৰনি অসম হাউছ ভৱনটো তাৰ ঠাইত অধিক কোঠাযুক্ত এটি অত্যাধুনিক নতুন ভৱন নি কৰা হ'ব। মুম্বাই অসম ভৱনকো সম্প্ৰসাৰণ কৰা হৈছে। চাৰি নতুন জিলা সৈনিক বোৰ্ড গঠন কৰা হৈছে আৰু গুৱাহাটীত ৰ সৈনিক বোৰ্ডৰ কাৰ্যালয় নিৰ্মাণৰ কাম শীঘ্ৰে হাতত লোৱা হ'ব।

৪৬।          সচিবালয় প্ৰশাসন ঃ

সচিবালয়ৰ কৰ্মচাৰী সকলৰ মাজত অধিক কৰ্ম সংস্ক আৰু ফলপ্ৰসূ আদান-প্ৰদান ব্যৱস্থাৰ গঢ় দিবলৈ পদক্ষেপ লৈ হৈছে। সচিবালয়ৰ কৰ্মচাৰী সকলৰ সামৰ্থ বৃদ্ধিৰ কাৰণে প্ৰশিক্ষ ব্যৱস্থাটো ইতিমধ্যে উন্নত কৰা হৈছে আৰু কিছুসংখ্যক প্ৰশিক্ষ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হৈছে।

৪৭।          পেঞ্চন আৰু ৰাজহুৱা ওজৰ আপত্তি ঃ

পেঞ্চন চূড়ান্তকৰণ আৰু পেঞ্চন বিষয় সমূ পৰিবৰ্ত্তনৰ কাম ক্ষীপ্ৰতৰ কৰিবলৈ পেঞ্চন তথ্য ব্যৱস্থা সঞ্চালন (ডি পি আই এচ)ক কাৰ্যক্ষম কৰি তোলা হৈছে। ২০১১-১২ ব অতিৰিক্ত পদ সৃষ্টি আৰু আন্তঃগাঁথনি উন্নয়নৰ দ্বাৰা পেঞ্চন ত ব্যৱস্থা সঞ্চালকায় (ডি পি আই এচ)ক শক্তিশালীকৰণ আ উন্নীতকৰণ কৰিবলৈ পদক্ষেপ লোৱা হ'ব।

৪৮।          ছপা আৰু লেখন সামগ্ৰী ঃ

গুৱাহাটীত থকা চৰকাৰী ছপাশালটোক কাৰ্যক্ষমতা বৃদ্ধি অৰ্থে আধুনিকীকৰণৰ ব্যৱস্থা লোৱা হৈছে। বিভিন্ন ছপা সামগ্ৰী



বৰ্দ্ধিত চাহিদা পূৰণ কৰিবলৈ লখিমপুৰ, কোকৰাঝাৰ আৰু ধুবুৰীত ৩ টা ক্ষুদ্ৰ চৰকাৰী ছপাশাল স্থাপন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

৪৯।          তথ্য আৰু জনসংযোগ ঃ

লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ নামেৰে এটা মাচ্ কমিনিউকেচন এণ্ড প্ৰিন্টিং টেকন'ল'জী প্ৰতিষ্ঠান স্থাপন কৰাৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো। আগন্তুক বৰ্ষসমূহত তথ্য সৰবৰাহ, তথ্য পুনৰুদ্ধাৰ আৰু সৰবৰাহ ব্যৱস্থাটোৰ আধুনিকীকৰণৰ ওপৰত বিশেষ প্ৰাধান্য দিয়া হব। ৰাজ্যখনৰ জনসাধাৰণৰ সুবিধাৰ্থে চৰকাৰৰ দ্বাৰা নিজা ৰবীয়াকৈ কেৱল/চেটেলাইট টেলিভিচন চেনেল স্থাপন আৰু ৰাজ্যজুৰি সমূহীয়া অনাতাৰ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱসমূহ গভীৰভাৱে বিবেচনা কৰি থকা হৈছে।

৫০।          দুৰ্যোগ ব্যৱস্থাপনা ঃ

অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা অভিকৰণক সৱলৰূপে গঢ়ি তোলা আৰু ৰাজ্যখনৰ প্ৰত্যাহ্বান সমূহৰ মোকাবিলা কৰিব পৰাকৈ ইয়াৰ সামৰ্থ বৃদ্ধি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ত্ৰয়োদশ বিত্ত আয়োগে ২০১০-১৫ পাঁচবছৰীয়অ কালছোৱাত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ১৩৩৬.৭৬ কোটি টকাৰ অনুদান আগবঢ়াইছে। তাৰে ২৫৪.২৬ কোটি টকা চলিত বিত্তীয় বৰ্ষৰ বাবে। সাহায্য প্ৰদানৰ ব্যৱস্থাটোক ত্বৰান্বিত কৰাৰ অৰ্থে ৰাজ্যিক দূৰ্যোগ সঁহাৰি পুঁজি স্থাপন কৰা হৈছে। বানপানীৰ আগতীয়া জাননী দিয়াৰ ব্যৱস্থা, নিৰ্বাচিত চহৰ আৰু নগৰত সাম্ভাব্য আকস্মিক বিপদ আৰু অসুচল অৱস্থাৰ মূল্যাংকন কৰা, জৰুৰীকালীন সাহায্যত নিয়োজিত টেলিফোন নম্বৰসমূহ সুসংহত কৰা, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা প্ৰস্তুত কৰা আদিৰ দৰে কেতবোৰ নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু জৰুৰীকালীন সঁহাৰি কেন্দ্ৰসমূহক বিশেষ ধৰণৰ সা-সঁজুলি, উন্নত যোগাযোগ ব্যৱস্থা আৰু সহজতে উপলব্ধ হ'ব পৰা উপযুক্ত তথ্য ভাণ্ডাৰ স্থাপনৰ দ্বাৰা সুসজ্জিত আৰু শক্তিশালী কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাত এটা ভূমিকম্প আৰু দুৰ্যোগ প্ৰশমন কেন্দ্ৰ স্থাপন কৰা হব।

৫১। বাজহ সংস্কাব ঃ

অহা ৫ বছবত জবীপ আৰু নথি সংবক্ষণত আন্তঃগাথনি, মানৱ সম্পদৰ উপযুক্ত পবিচালনা আৰু প্রযুক্তি সম ক্ষেত্রত দক্ষতা বৃদ্ধিব ওপবত আমি গুৰুত্ব প্রদান কবিম।

ভূমিহীন লোক, প্রাক্তন চাহ শ্রমিক, খহনীয়াত আ লোক ইত্যাদিলৈ ভূমি প্রদান কবাব বাবে বর্তমানে থকা প্রক্রিয়া শক্তিশালী কবিবলৈ লোৱা হৈছে। কামৰূপ মেট্ৰ'প'লিটান জি বহুদিন ধবি বসবাস কবা দবিদ্র আৰু ভূমিহীন লোকসকলৰ ব ভূমি পট্টন দিয়াব ক্ষেত্রত উদ্ভৱ হোৱা সমস্যা সমূহ নিৰীক্ষণ আ নিস্পত্তিকৰণব বাবে ডাঃ ভূমিধব বর্মনব অধ্যক্ষতাত অন এখন সমিতি গঠন কবা হৈছে। খহনীয়াত আক্রান্ত পবিয়ালসক পুনব সংস্থাপনব বাবে এটা পুনব সংস্থাপন কর্তৃপক্ষ স্থাপন কৰা আৰু এই উদ্দেশ্যে প্রয়োজনীয় পুঁজি যোগান ধবা হৈছে।

জবীপব আধুনিক কৌশলব প্রবর্তন, এতিয়াও জৰী কবিবলৈ বাকী থকা এলেকা সমূহব জবীপব কাম, জি বেফাবেন্সিঙেবে সৈতে কেদেষ্ট্রেল মানচিত্র সমূহব দিজিটাইজে আৰু অসম জবীপ আৰু বন্দোবস্তি প্রশিক্ষণ কেন্দ্রব উন্নীতকৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। চব অঞ্চলব জবীপ আৰু প বিতবণব কাম ক্ষীপ্রতব কবা হব। ই-ষ্টাম্পিং পদ্ধতি প্রৱর্তন কৰা উপবিও ভূমি লেখন আৰু পঞ্জীয়নব কম্পিউটাবকৰণব বাবে পদক্ষেপ হাতত লোৱা হৈছে। চলিত বর্ষত বাকী থকা চক্র বিষয় উপ-পঞ্জীয়কব কার্যালয়গৃহব নির্মাণ/মেবামতি আৰু চক্র বিষয় বাসগৃহব নির্মাণব কাম সম্পূর্ণ হৈ উঠিব।

মই বাজ্যব ভূমি ব্যৱহাব নীতিব এক পুনৰী কবিবলৈ সিদ্ধান্ত লৈছো। এই ক্ষেত্রত স্বাভাবিক জলাশয় আ পাহাবব দবে পবিবেশব দিশব পবা গুৰুত্বপূর্ণ অঞ্চলসমূহব সংৰক্ষণ ওপবত বিশেষ দৃষ্টি বখা হ'ব।

চবকাবী ভূমি সমূহব সংবক্ষণ আৰু ভৱিষ্যৎ ব্যৱহাৰ উদ্দেশ্যে ভূমি বেংক প্রৱবর্তন কবাব প্রস্তাৱ কবা হৈছে। সাম্প্রতি



সময়ব প্রয়োজনব সৈতে খাপ খুৱাই বিভিন্ন আইন, নীতি-নিয়মসমূহো সংশোধনব ব্যৱস্থা কবা হব। স্থায়ী বার্ষিক বানচ ১০০ শতাংশলৈ বৃদ্ধি কবাব উদ্দেশ্যে বাজহুৱা ধর্মীয় অথবা দাতব্য প্রতিষ্ঠানব দখলত থকা অসম বাজ্যিক ভূমি অধিগ্রহণ (সংশোধন) বিধেয়ক ২০১১ খন সংশোধন কবা হৈছে। গাঁওবুঢ়া সকলৰ পাবিশ্রমিক ৫০ শতাংশ বৃদ্ধি কবা হৈছে। ৮ খন জিলাত গাঁওবুঢ়া ব্যৱস্থা প্রৱর্তন কবাব বাবে পদক্ষেপ গ্রহণ কবা হৈছে।

ভূমি বাজহব বকেয়া বহু বছব ধবি পুঞ্জীভূত হৈ আছে। বান আৰু গবাখহনীয়াব দ্বাবা আক্রান্ত লোক সকলক বহুদিন ধবি বেহাই দি থকাব বাবে এই বকেয়াব বৃহৎ অংশব সৃষ্টি হৈছে। এই পুঞ্জীভূত বাকেয়াব বিষয়বোব নিস্পত্তিকবণ আৰু সাধাৰণ ভূমি বাজহব বকেয়া সংগ্রহব বাবে এই বছব বিশেষ অভিযান আবম্ভ কবা হ'ব।

কৰাৰোপণ ঃ

৫২। যান-বাহন কৰ ঃ

বিগত বিত্তীয় বর্ষত পবিবহন বিভাগব অধীনত যান-বাহন কবকে ধবি বাজহ সংগ্রহ আছিল ২৪৫ কোটি টকা। মই অৱস্থাটোব পর্যালোচনা কবিছো। বাজ্যখনত মটব গাড়ীব সংখ্যা দ্রুত গতিত বৃদ্ধি পাই আহিছে। সেয়েহে এই খণ্ডব বাজহ সম্ভাৱনীয়তাও আনুসঙ্গিক ভাৱে বৃদ্ধি পাইছে। চলিত বিত্তীয় বর্ষত মই ২৮১ কোটি টকাব লক্ষ্য স্থিব কবিছো। আহি থকা বর্ষবোবত ১৫ শতাংশ বার্ষিক হাবত যান-বাহন কব সংগ্রহ বৃদ্ধি হ'ব বুলি অনুমান কবা হৈছে।

৫৩। আবকাৰী শুল্ক ঃ

আবকাবী বাজহ সংগ্রহব পবিমাণ ২০০৯-১০ বর্ষব ২৩৯ কোটি টকাব বিপবীতে ২০১০-১১ বর্ষত ৩২২ কোটি টকালৈ বৃদ্ধি পাইছে। এই বৃদ্ধি প্রায় ৩৫ শতাংশ। বাজ্যখনত দেশীয় সুবাব দোকান সমূহব বন্দোবস্তি কবাব বাবে নীলাম ভিত্তিব পদ্ধতি এটা আবম্ভ কবা হৈছে। গুনগত মানদণ্ড নিয়ন্ত্রন, সামর্থ বৃদ্ধি আৰু কম্পিউটাব তথা অনলাইন পর্যবেক্ষণব সা-সুবিধা প্রাবম্ভনৰ ওপবত

গুৰুত্ব প্ৰদান কৰা হ'ব। বটলিং মাচুল স্বাভাৱিকীকৰণ, সংস্থা মাচুল, প্ৰৰ্য্যাপ্ত মাচুল আৰু সকলোবোৰ আবকাৰী উৎপাদ হল'গ্ৰামৰ প্ৰাৱন্তনৰ লেখীয়া কিছু সংখ্যক নতুন পদক্ষেপ হা লোৱাৰ বাবেও প্ৰস্তাৱ কৰা হৈছে। এনেকুৱা পদক্ষেপ আৰু অ সুৰাৰ বিক্ৰী আৰু সেৱন বোধ কৰিবলৈ চলোৱা অধীক ক অভিযানৰ ফলত প্ৰতি বছৰে অতিবিক্তভাৱে ১৫ ৰ পৰা ২০ কো টকাৰ অতিবিক্ত ৰাজহ সৃষ্টিৰ সম্ভাৱনা আছে। ২০১১-১২ ব আবকাৰী ৰাজহ সংগ্ৰহৰ পৰিমাণ ৪০০ কোটি টকা হ'বগৈ বু আশা কৰা হৈছে।

৫৪। **মোহৰ (ষ্টেম্প) আৰু পঞ্জীয়নঃ**

ৰাজহ সংগ্ৰহ বৃদ্ধিক উৎসাহিত কৰাৰ প্ৰতি লক্ষ্য ৰা ৰাজ্যখনৰ মোহৰ শুল্কৰ হাৰ আৰু পঞ্জীয়ন মাচুলৰ স্বাভাৱিকীক কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। ২০১১-১২ বৰ্ষৰ বাবে এই শিতা বাজেট প্ৰাক্কলন ১৪৫ কোটি টকা ধাৰ্য কৰা হৈছে।

৫৫। **বাণিজ্যিক কৰ ঃ**

মই পবিত্ৰ সদনক যোৱা বিত্তীয় বৰ্ষৰ কিছু গুৰুত্বপূৰ্ণ কথাৰ বিষয়ে অৱগত কৰিব বিচাৰিছো।

১। দ্ৰব্য আৰু সেৱা কৰ (Goods & Service Tax – GST) ঃ-

জি এচ টি প্ৰবৰ্ত্তনত আমাৰ সঁহাৰি আছে। জি এচ প্ৰবৰ্ত্তনৰ কাৰণে সংবিধান সংশোধন বিল ইতিমধ্যে সংস বিবেচনাধীন হৈ আছে। এই বিলত প্ৰবেশ কৰ আৰু আন কেতবো কৰৰ ক্ষেত্ৰত ষষ্ঠ অনুসূচীৰ অধীনৰ District Council সমূহক পঞ্চায় আৰু চহৰীয়া স্থানীয় নিকায়সমূহৰ একে পৰ্য্যায়ভুক্ত নকৰা আ বিষয়ত আমাৰ মতভেদ আছে। মই এই বিষয়সমূহ ইতিমধ্যে কেন্দ্ৰী বিত্ত মন্ত্ৰীৰ ওচৰত উপস্থাপন কৰিছো।

২। মই ১ ফেব্ৰুৱাৰী ২০১১ তাৰিখে পবিত্ৰ সদন অৱগত কৰিছিলো যে কৰ প্ৰবিবৰণ (Tax Return) কম্পিউটাৰ



জৰিয়তে দাখিল কৰাৰ বাবে এটি ৰেব্-চাইট আৰম্ভ কৰা হৈছে। এতিয়া মই পবিত্ৰ সদনক জনাব পাৰি সুখী হৈছো যে অহা ১ আগষ্ট ২০১১ তাৰিখৰ পৰা এক কোটি বা ততোধিক টকাৰ বাৰ্ষিক লেনদেন কৰা ব্যৱসায়ীৰ ক্ষেত্ৰত Online e-filing of a returns বাধ্যতামূলক কৰা হ'ব।

৩। মই পবিত্ৰ সদনক জানব বিচাৰো যে ২০০৯-২০১০ বিত্তীয় বৰ্ষত সংগ্ৰহ কৰা মুঠ ৪৪০৪.৯১ কোটি টকা বাণিজ্যিক কৰৰ বিপৰীতে যোৱা ২০১০-১১ বিত্তীয় বৰ্ষত মুঠ ৫১৮৫.৫৯ কোটি টকা বাণিজ্যিক কৰ সংগ্ৰহ কৰা হৈছে।এই কৰ সংগ্ৰহৰ বৃদ্ধিৰ হাৰ ১৮ শতাংশ।২০০৯-১০ বিত্তীয় বৰ্ষৰ ৩২২৯.৪৪ কোটি টকাৰ 'ভেট' সংগ্ৰহৰ বিপৰীতে ২০১০-১১ বিত্তীয় বৰ্ষত মুঠ ৩৯৫২.২০ কোটি টকা 'ভেট' সংগ্ৰহ কৰা হয়। এই বৃদ্ধিৰ হাৰ ২২ শতাংশ।

৪। পেট্ৰ'লজাত সামগ্ৰী আৰু সুৰাৰ ওপৰত আৰোপিত কৰ সংগ্ৰহ বাদ দিলে যোৱা ২০০৯-১০ বিত্তীয় বৰ্ষত 'ভেট' সংগ্ৰহৰ পৰিমাণ ১৯৭২.৮৬ কোটি টকাৰ বিপৰীতে ২০১০-১১ বিত্তীয় বৰ্ষত এই কৰ সংগ্ৰহৰ পৰিমাণ ২৫০৮.০৫ কোটি টকা। এই বৃদ্ধিৰ হাৰ ২৭ শতাংশ। পবিত্ৰ সদনে জানি সুখী হব যে যোৱা তিনিবাছৰত 'ভেট' সংগ্ৰহ বছৰি ২০ শতাংশ কৈ বৃদ্ধি হৈছে।

৪। ২০১০-১১ বিত্তীয় বৰ্ষত কৃষি আয় কৰ সংগ্ৰহৰ মুঠ পৰিমাণ আছিল ১০১.২০ কোটি টকা। ১৯৯৮-৯৯ বিত্তীয় বৰ্ষৰ পিছত প্ৰথম বাৰৰ বাবে এই কৰ সংগ্ৰহৰ পৰিমাণ ১০০ কোটি টকাৰ অধিক হৈছে।

**কৰ সংগ্ৰহৰ প্ৰস্তাৱ সমূহ ঃ**

(ক) ৰপ্তানি কৰা চাহৰ ক্ষেত্ৰত কেচা চাহপাতৰ ওপৰত আৰোপিত উপকৰ (Cess) বৃদ্ধিৰ প্ৰভাৱ লাঘৱ কৰাৰ বাবে মই ব্যৱস্থা প্ৰস্তাৱ কৰিছো। আমিনগাঁৱৰ Inland

Container Depot ৰ পৰা ৰপ্তানিকৃত প্ৰতি কিলো... চাহৰ বাবদ বৰ্তমান কৃষি আয় কৰৰ বাবে প্ৰদে... কৃষি আয়ৰ পৰা ৫ শতাংশ ৰেহাই দিয়া হয়। ... ৰেহাইৰ পৰিমাণ মই প্ৰতি কিলোগ্ৰামত ৬ টকালৈ বৃ... কৰাৰ প্ৰস্তাৱ লৈছো।

(খ) বৰ্ত্তমানে যি সকল পঞ্জীয়নভুক্ত ব্যৱসায়ীৰ বছৰেকী... কৰযুক্ত বিক্ৰয়মূল্য ২০ লাখ টকা বা তাতকৈ ক... তেনে ব্যৱসায়ীয়ে 'ভেট'ৰ তিনিমহীয়া প্ৰবিব... (Return) দাখিল কৰিব লাগে, আৰু যি সক... পঞ্জীয়নভুক্ত ব্যৱসায়ীৰ বছৰেকীয়া কৰযুক্ত বিক্ৰয়মূ... ২০ লাখ টকাৰ ওপৰত তেনে ব্যৱসায়ীয়ে 'ভে... প্ৰবিবৰণ প্ৰতিমাহে দাখিল কৰিব লাগে। সৰু ব্যৱস... সকলৰ সুবিধাৰ্থে মই তিনিমহীয়া প্ৰবিবৰণ দাখি... পৰিসীমা ২০ লাখৰ পৰা ৪০ লাখ টকালৈ বৃদ্ধি... প্ৰস্তাৱ ৰাখিলো।

(গ) কেতবোৰ উদ্যোগ প্ৰতিষ্ঠানে চৰকাৰক নিবেদন জনাইছে... যে - অসসাম Industries (Tax Exemption) Sche... ২০০৯ ৰ ব্যৱস্থা মতে Eligibility certificate পোৱা... আগতে সম্পূৰ্ণ 'ভেট' দিয়াৰ ব্যৱস্থাই উদ্যোগসমূহ... অসুবিধাত পেলাইছে। Eligibility Certificate পোৱা... কৰৰ সম পৰিমাণৰ Bank Guarantee দিয়াৰ অনুমতি... প্ৰদানৰ বাবে তেওঁলোকে নিবেদন জনাইছে। মই এ... পৰামৰ্শ গ্ৰহণ কৰিছো আৰু সেইমৰ্মে Assam Industri... (Tax Exemption) Scheme, ২০০৯ সংশোধনৰ ব্যৱস্থা... শীঘ্ৰে লোৱা হ'ব।

(ঘ) অলপতে কেন্দ্ৰীয় চৰকাৰে ৰন্ধন গোছৰ (LPG) দা... বৃদ্ধি কৰিছে। জনসাধাৰণৰ ওপৰত এই বৃদ্ধিৰ বোজা... লাঘৱ কৰিবৰ বাবে ঘৰুৱা ব্যৱহাৰৰ ৰন্ধন গোছৰ... চিলিণ্ডাৰে প্ৰতি ১৪ (চৈধ্য) টকাকৈ কৰ ৰেহাইৰ প্ৰস্তাৱ... ৰাখিলো।



(ঙ) কেন্দ্ৰীয় চৰকাৰে Declared Goods ৰ ওপৰত কৰৰ হাৰ ৪ শতাংশৰ পৰা ৫ শতাংশ লৈ বৃদ্ধি কৰিছে। খাৰুৱা তেলৰ ওপৰত আমিও এপ্ৰিল ২০১১ ৰ পৰা কৰৰ হাৰ ৪ শতাংশৰ পৰা ৫ শতাংশ লৈ বৃদ্ধি কৰিছো। এই বৃদ্ধিয়ে বছৰি ১২০ কোটি টকাৰ অতিৰিক্ত ৰাজহ আহৰণ কৰিব। মই আন আন Declared Goods, বিটুমেন, PSF & DMT, চাহ, বাহ আৰু Furnace Oil ৰ ওপৰতো কৰৰ হাৰ ৪ শতাংশৰ পৰা ৫ শতাংশ লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ আগ বঢ়ালো। এই প্ৰস্তাবিত বৃদ্ধিয়ে বছৰি ২০ কোটি টকাৰ অতিৰিক্ত ৰাজহ আনিব।

কেন্দ্ৰীয় চৰকাৰে CST ৰ হাৰ হ্ৰাস কৰাৰ ফলত আমাৰ ৰাজহ সংগ্ৰহ ও নিম্নগামী হৈছে। তাৰ পৰিপূৰক হিচপে ওপৰোক্ত সামগ্ৰী সমূহৰ ওপৰত ভেটৰ হাৰ ৪ শতাংশৰ পৰা ৫ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

(চ) ধঁপাত আৰু গুট্‌কা আদি ধঁপাতৰ পৰা প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীৰ সেৱন হ্ৰাস কৰাৰ উদ্দেশ্যে এই সামগ্ৰীবোৰৰ ওপৰত প্ৰযোজ্য ভেটত হাৰ ১৩.৫ শতাংশৰ পৰা ২০ শতাংশলৈ বৃদ্ধি কৰিবলৈ মই প্ৰস্তাৱ কৰিছো।

(ছ) একেদৰে সুৰাপান প্ৰৱনতা হ্ৰাস কৰাৰ উদ্দেশ্যে দেশী আৰু বিদেশী দুয়োবিধ সুৰাৰ ওপৰত প্ৰযোজ্য ভেটৰ হাৰ ২৭ শতাংশৰ পৰা ৩০ শতাংশলৈ বৃদ্ধি কৰিবলৈ মই প্ৰস্তাৱ কৰিলোঁ। ইয়াৰ ফলত যাতে অসমৰ পৰা আন ৰাজ্যলৈ বাণিজ্যিক গতি পৰিবৰ্ত্তন নহয় তাৰ বাবে যাৱতীয় সকলো ধৰণৰ প্ৰশাসনীয় সতৰ্কতা আৰু ব্যৱস্তা গ্ৰহণ কৰা হ'ব।

৫৬। বাজেট প্ৰাক্কলন ২০১১-১২ ঃ

এতিয়া মই ২০১১-১২ বিত্তীয় বছৰটোৰ পূৰ্ণাঙ্গ বাজেট প্ৰাক্কলন উত্থাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছো পাঁচ বছৰীয়া বিত্তীয় বিৱৰণ আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০৫'ৰ অধীনত দাখিল কৰিবলগীয়া আন এখন প্ৰবিৱৰনো পবিত্ৰ সদনত বাজেট নথিৰ লগত এখন সুকীয়া "পুস্তিকাৰ" ৰূপত দাখিল কৰা হ'ল।

২০১১-১২ চনৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিত মুঠ ৩৬৮৯২.৬৮ কোটি টকা ৰাজহ আদায় দেখুওৱা হৈছে। তাৰে ৩২৭৩০.৮৫ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ৪১৬১.৮৩ কোটি টকা মূলধন শিতানত। একত্ৰীকৃত নিধিৰ মুঠ ৰাজহ আদায়ৰ সমীক্ষাটো ১ নম্বৰ তালিকাত দেখুওৱা হৈছে ৰাজহুৱা খণ্ডৰ অধীনত ৯৭২২২.৮৯ কোটি টকা আৰু উপনিমিত্ত পুঁজিৰ ৫০.০০ কোটি টকা আদায়ৰ পিচত পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ১৩৪১৬৫.৫৭ কোটি টকা। একত্ৰীকৃত নিধিৰ ২০১১-১২ চনৰ সৰ্ব মুঠ ব্যয়ৰ পৰিমাণ হ'ব ৩৭১৭৩.০২ কোটি টকা। ইয়াৰে ৰাজহ শিতানত ৩১৬১৬.৬৩ কোটি টকা আৰু মূলধন শিতানত ৫৫৫৬.৩৯ কোটি টকা। ২ নম্বৰ তালিকাত ২০১১-১২ চনত একত্ৰীকৃত নিধিৰ মঞ্জুৰী অনুযায়ী ব্যয় সমূহো বিতং ভাৱে দেখুওৱা হৈছে। এতেকে ৰাজহুৱা খণ্ডত হোৱা ব্যয়ৰ ৯৩৯৮০.০০ কোটি টকা আৰু উপনিমিত্ত পুঁজিৰ ৫০.০০ কোটি টকাকে ধৰি বছৰটোত সৰ্বমুঠ ব্যয়ৰ পৰিমাণ হ'ব ১৩১২০৩.০২ কোটি টকা। ফলত বছৰটোত হোৱা লেন দেনৰ বাবদ ২৯৬২.৫৫ কোটি টকাৰ বাহি হব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণিৰ ৪৫০৫.২৬ কোটি টকা ঘাটি যোগ দিলে ২০১১-১২ বিত্তীয় বছৰটোৰ শেষত ঘাটিৰ পৰিমাণ ১৫৪২.৭১ কোটি টকা হবগৈ।

সৰ্বশেষত মই পবিত্ৰ সদনক জনাব খোজো যে ত্ৰয়োদশ বিত্তীয় আয়োগৰ পৰামৰ্শৱলী আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা (সংশোধনি) বিধেয়ক, ২০১১ৰ লক্ষ্য অনুসৰি আমি, ৩১/৩/২০১২ ৰ ভিতৰত ৰাজহ ঘাটি নিৰ্মূল কৰা



আৰু বিত্তীয় ঘাটি জি এচ ডি পিৰ ৩ শতাংশৰ ভিতৰলৈ অনাটো প্ৰয়োজনীয়। মই মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো যে মোৰ ২০১১-১২ বৰ্ষৰ বাজেট প্ৰস্তাৱত ৩১-৩-২০১২ তাৰিখত ৰাজহ ঘাটি নিৰ্মূল হৈ ১১১৪.২২ কোটি টকাৰ বাহি আৰু বিত্তীয় ঘাটি ৩৪৭১.৭০ কোটি টকা হৈছেগৈ যিটো জি এচ ডি পিৰ ২.৯৫ শতাংশ।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাষণ ইমানতে সামৰি এই বাজেটখন মই পবিত্ৰ সদনত বিবেচনাৰ বাবে আগবঢ়ালোঁ।

জয় আই অসম

জয় হিন্দ

...